www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, NOVEMBER 08, 2024 ■ শুকুৰবাৰ, ২২ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০৫ Guwahati, Assam ।। মূল্যঃ এটকা

## ৰাজ্যৰ ভিন্ন প্ৰান্তত ষট পূজা

**ই-সংবাদ, ৭ নৱেম্বৰঃ** দেশ তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি ৰাজ্যৰ ৰাজধানী গুৱাহাটী ৩ পৃষ্ঠাত চাওক

#### কৃষক মুক্তি, ছাত্ৰ মুক্তি, নাৰী মুক্তি, চাহ মুক্তিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক

# নদীবান্ধক লৈ আকৌ আন্দোলন ঘোষণা অখিলৰ

### স্মাৰ্ট মিটাৰ, মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই নিদিয়া কাৰ্যৰ বিৰুদ্ধেও আন্দোলন

ই-সংবাদ, ৭ নৱেম্বৰঃ **নদীবান্ধৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰিছে অখিল গগৈ। যিটো আন্দোলনৰ জৰিয়তে এটা দশক আগতে** শেষাংশ ৬ পৃষ্ঠাত





## তালাপত মানৱ সৰবৰাহকাৰী চক্ৰৰ কবলত ৮ কিশোৰী

**ই-সংবাদ, ডুমডুমা, ৭ নৱেম্বৰঃ** ৰাজ্যত অব্যাহত থকা মানৱ সৰবৰাহৰ দৰে ঘটনা তিনিচুকীয়া জিলাতো শেষাংশ ৪ পৃষ্ঠাত

## চামগুৰিত জয়ী হ'ব বিজেপি! দাবী কৰিলে হিমন্তই

**ই-সংবাদ, পুৰণিগুদাম, ৭ নৱেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ আজি শেষাংশ ২ পৃষ্ঠাত

## গোচৰ চলাবলৈ ৰকিবুলৰ প্ৰত্যাহ্বান

**ই-সংবাদ, ৭ নৱেম্বৰঃ** চামগুৰিত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ আৰু ফেচবুক লাইভত আহি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শেষাংশ ৩ পৃষ্ঠাত

## উদ্ধাৰ হ'ল অপহৃত গৌতম

**ই-সংবাদ, ৭ নৱেম্বৰঃ** তিনিচুকীয়াৰ জাগুনৰ পৰা অপহৃত চাহ উদ্যোগৰ মহৰী গৌতম বসুমতাৰীক বিদ্ৰোহী সংগঠনে নিজ শেষাংশ ৫ পৃষ্ঠাত



ৱায়নাডৰ উপ-নিৰ্বাচনত ভোট বিচাৰি ৰাইজৰ মাজত প্ৰিয়ংকা গান্ধী

#### প্ৰৱঞ্চক দীপাংকৰৰ চুক্তি পত্ৰ ভাইৰেল

## ট্ৰেডিঙৰ বাবে নহয়! চিনাকিসূত্ৰে ধাৰ হিচাপত ধন লৈছিল 'ডিবি'য়ে



**ই-সংবাদ, ৭ নৱেম্বৰঃ** ট্ৰেডিং কেলেংকাৰীৰ মহা প্ৰৱঞ্চক দীপাংকৰ বৰ্মনৰ গ্ৰেপ্তাৰৰ পাছতে তেওঁৰ সম্পত্তি বাজেয়াপ্ত কৰি বিনিয়োগকাৰীক কিছু হ'লেও ধন ওভতাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে। কিন্তু সেয়া সম্ভৱ হ'ব নে নাই তাকে লৈ চৰ্চা হ'বলৈ ধৰিছে। কিয়নো 'শিয়াল শেষাংশ ৫ পৃষ্ঠাত

#### ছিপাঝাৰত সভ্য সমাজক লজ্জানত কৰা ঘটনা

## অবিবাহিত বাবেই কোনো নাহিল মহিলাৰ সংকাৰলৈ! পুতি থলে মৃতদেহ

**ই-সংবাদ, ছিপাঝাৰ, ৭ নৱেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত পিঠাখোৰা পাৰাত সভ্য সমাজক লজ্জানত কৰা এক ঘটনা পোহৰলৈ আহিছে। শ্মশানলৈ যোৱা মানুহ শেষাংশ ৪ পৃষ্ঠাত



## জিএমচিত লাগিব আধাৰ

**ই-সংবাদ, ৭ নৱেম্বৰঃ** ডিজিটেল স্বাস্থ্য সেৱা অভিযানৰ সহায়ত এতিয়াৰ পৰা আয়ুষ্মান ভাৰত স্বাস্থ্য একাউন্ট কাৰ্ড তথা চমুকৈ এবিএইচএ শেষাংশ ৪ পৃষ্ঠাত

## ট্ৰাম্পক লৈ আশাবাদী ভাৰত

**নতুন দিল্লী, ৭ নৱেম্বৰঃ** হোৱাইট হাউছলৈ ড'নাল্ড ট্ৰাম্পৰ প্ৰত্যাৱৰ্তনৰ পিছতে যোগান শৃংখলত চীনত ৰঙা চকু দেখুৱাবলৈ সাজু হৈছে ভাৰত। বুধবাৰে এই ইংগিত প্ৰদান কৰিছে ভাৰত চৰকাৰে। শেষাংশ ৪ পৃষ্ঠাত

## ৰুশ্বদিৰ গ্ৰন্থত অৱশেষত প্ৰত্যাহাৰ হ'ল নিষেধাজ্ঞা

**নতুন দিল্লী, ৭ নৱেম্বৰঃ** সুপ্ৰসিদ্ধ বৃটিছ-আমেৰিকান লেখক ছলমান ৰুছদীৰ বহুল বিতৰ্কিত গ্ৰন্থ 'দ্য চেটেনিক ভাৰ্ছেছ'ৰ আমদানিৰ ওপৰত প্ৰায় চাৰে তিনিদশক পূৰ্বে ভাৰত চৰকাৰে শেষাংশ ৩ পৃষ্ঠাত

## সাহিত্য সভাক সাহিত্যিকৰ সভা কৰি ৰাখকঃ ড° নগেন শইকীয়া

**ই-সংবাদ, ডিব্ৰুগড়, ৭ নৱেম্বৰঃ** সভাপতি নিৰ্বাচনক লৈ পুনৰ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে অসম সাহিত্য সভা। এই বিতৰ্কৰ মাজতে আজি সাহিত্য সভাক লৈ কেবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে একেৰাহে দুবাৰকৈ সাহিত্য সভাৰ আসন অলংকৃত কৰা প্ৰসিদ্ধ সাহিত্যিক তথা মিতভাষৰ স্ৰষ্টা ডও নগেন শইকীয়াই। ১৯৯৭ চনৰ বিলাসীপাৰা আৰু ১৯৯৮ চনৰ হাওৰাঘাট অধিৱেশনত সাহিত্য সভাৰ সভাপতি হোৱা



সাহিত্যিক শইকীয়াই সভাৰ বৰ্তমানৰ কাম-কাজক লৈ খেদ ব্যক্ত কৰে। এই সন্দৰ্ভত নিজৰ অভিমত ব্যক্ত কৰি সাহিত্যিকগৰাকীয়ে কয়, "মই সাহিত্য সভা সম্পৰ্কে বহুদিন মাত মতা নাই আৰু নামাতো বুলিয়েই দৰাচলতে ভাবি আছিলো। মই ঠিক ভাবিছিলো যে যেতিয়া হোমেন বৰগোহাঞিক অপমান কৰি নিয়মাৱলী সলনি কৰিলে, তেতিয়াৰ পৰাই সাহিত্য সভাৰ প্ৰতি আগৰ মনোভাৱ, মোৰ যিটো শ্ৰদ্ধা শেষাংশ ৭ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# চামগুৰিত জয়ী হ'ব বিজেপি! দাবী

দুপৰীয়া চামগুৰিত উপস্থিত হ'লহি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মা। বিশাল নিৰ্বাচনী সভাখনত মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত কয়, এটা কথা নিশ্চিতভাৱে ক'ব পাৰি যে এইবাৰ চামগুৰিত অতি কমেও ২৫ পৰা ৩০ হাজাৰ ভোটত বিজেপি দল জিকিব। তাক কোনেও ধৰি ৰাখিব নোৱাৰে। কোনো সন্দেহ নাই। কেতিয়াবা মই ভাবো জিকিব নে নাই। যেতিয়া ৰকিবুল হুছেইনক টিভিত দেখো তেতিয়া মই কনফাৰ্ম হৈ যাওঁ এইবাৰ চামগুৰিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা জিকিব। তাত কোনো সন্দেহ নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ আৰু ইউ পি পি এল মিত্ৰজোঁটৰ উদ্যোগত আয়োজিত এখন বিশাল নিৰ্বাচনী সমাবেশত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত আৰু কয় যে, ধুবুৰীত ৰকিবুল হুছেইন নিৰ্বাচনত জিকিল, সেইকাৰণে চামগুৰি উপ-নিৰ্বাচন হ'ল আৰু কংগ্ৰেছৰ প্ৰাৰ্থী নিজৰ পিতেকক দিছে। চামগুৰিত কিমান কংগ্ৰেছ নেতা-কৰ্মী আছে। কোনো এজন কংগ্ৰেছ নেতা-কৰ্মীক কংগ্ৰেছৰ টিকত নিদিলে। মাত্ৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতি কৰিছে। তেওঁলোকে কাকো বিশ্বাস নকৰে। বিশ্বাস কৰা হ'লে কোনোবা এজন কংগ্ৰেছ কৰ্মীক টিকটটো দি দিলে হয়। কোনো এজন কংগ্ৰেছ কৰ্মীক বিশ্বাস নকৰে তেওঁলোকে। ভাৰতীয় জনতা পাৰ্টিয়ে দেউতাকৰ মুখ চাই টিকট নিদিয়ে। আপোনালোকে চামগুৰি উপ-নিৰ্বাচনৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ দেউতাৰক নাম জানে নেকি? আজি দিপ্লুৰঞ্জন শৰ্মাৰ দেউতাকৰ মুখ চাই বিজেপিয়ে টিকট দিয়া নাই। দিপ্লুৰঞ্জন শৰ্মাক চাই বিজেপিয়ে টিকট দিছে। আজি যদি ৰকিবুল হুছেইনক চামগুৰিৰ ৰাইজে সোধে তাঞ্জিল হুছেইনৰ পিছত চামগুৰিত কংগ্ৰেছৰ পৰা কোনে টিকট পাব বুলি তেতিয়া ৰকিবুল হুছেইনে ক'ব তাঞ্জিল হুছেইনৰ পুতেকে কংগ্ৰেছৰ পৰা টিকট পাব বুলি। প্ৰথম কোন হ'ল নুৰুল হুছেইন আৰু তাৰপিছত ৰকিবুল হুছেইন, এতিয়া আকৌ তাঞ্জিল হুছেইন। ইয়াৰ পিছতো চামগুৰি ৰাইজৰ মাজৰ পৰা কংগ্ৰেছ দলৰ এমেলে হ'ব নোৱাৰে। তাঞ্জিল হুছেইনৰ পুতেক এমেলে' হ'ব। এইটোৱেই হৈছে কংগ্ৰেছ দলৰ নিয়ম। সাধাৰণ ৰাইজৰ কোনো ভেলু নাই। খালি বাপেকৰ পিছত পুতেক। পুতেকৰ পিছত নাতিনীয়েক আৰু নাতিনীয়েকৰ পিছত নাতিনীয়েকহে এমেলে হ'ব। ৰকিবুল হুছেইনৰ পিছত তাঞ্জিল হুছেইন আৰু বাকী মানুহখিনিয়ে আমুল তাজা গাখীৰ খাই ঘৰতে বহি থাকিব লাগিব। তেওঁলোকে আপোনালোকক কওঁতে গোটেই পৃথিৱীৰ কথা ক'ব। ৰকিবুল হুছেইনে নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ গৈ কৈছে তেওঁ বোলে বহুত ল'ৰাক চাকৰি দিছে, গতিকে মোৰ হৈ কাম কৰিব লাগিব বুলি। কিন্তু মই মুখ্যমন্ত্ৰী হৈ থকা অৱস্থাত প্ৰায় ডেৰ লাখ ল'ৰা-ছোৱালীক আমি চাকৰি দিলো। আমিতো আজিলৈকে চাকৰি পোৱা ল'ৰা-ছোৱালীক কোৱা নাই আমাৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ। মই কৈছো নেকি কাৰোবাক আমাৰ হৈ কাম কৰিব লাগিব বুলি। আমি সেইটো কেতিয়াও নকওঁ, তেওঁলোকে চাকৰি পাইছে আৰু চৰকাৰে দৰমহা দিছে বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। বিধানসভা নিৰ্বাচনৰ প্ৰতিশ্ৰুতি অনুসৰি এক লাখ নিযুক্তি সম্পূৰ্ণ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে, অহা ১০ মে'ৰ ভিতৰত ডেৰ লাখ চাকৰি নিযুক্তি সম্পূৰ্ণ হ'ব। পূৰ্বতে কংগ্ৰেছ চৰকাৰৰ দিনত ঘোচ দি নিযুক্তি ল'বলগা হৈছিল। কিন্তু বৰ্তমান বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনৰ দিনত কোনেও এটকা নিদিয়াকৈ চাকৰিৰ নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। যিসকল যুৱক- যুৱতীয়ে চৰকাৰী চাকৰি পোৱা নাই বা চৰকাৰী চাকৰি কৰিবলৈ আগ্ৰহী নহয় তেওঁলোকৰ বাবে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই আঁচনিৰ অধীনত যুৱক-যুৱতী সকলক দুই লাখ টকাকৈ চৰকাৰৰ তৰফৰ পৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে। মুঠ দুই লাখ যুৱক-যুৱতীক এই আঁচনিয়ে সামৰি ল'ব।তদুপৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন চাকৰিও যুৱক-যুৱতীসকলে লাভ কৰি আছে। বৰ্তমান ৰাজ্য চৰকাৰৰ কাৰ্যকাল আৰু ডেৰ বছৰ আছে, এই ডেৰ বছৰত ৰাজ্যৰ ৫ লাখ যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন লাভ কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰাৰ লগতে আৰু কয় যে, বৰ্তমান চৰকাৰৰ দিনত ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ মাজত এক আশাৰ সঞ্চাৰ হৈছে। আমাৰ ৰাজ্যত আটাইতকৈ ডাঙৰ পৰীক্ষা আছিল মেট্ৰিক পৰীক্ষা। মেট্ৰিকত ৫ লাখ ল'ৰা-ছোৱালী অৱতীৰ্ণ হয়। কিন্তু আজি মেট্ৰিকতকৈ ডাঙৰ পৰীক্ষা অসমত অনুষ্ঠিত হয়। আজিকালি মানুহৰ মাজত ধাৰণা হৈছে দুখীয়া খাটিখোৱা মানুহৰ ঘৰৰ ল'ৰা-ছোৱালীয়েও চৰকাৰী চাকৰি পাব পাৰে। অৰুণোদয় আঁচনিৰ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰি কয় যে, চামগুৰি সমষ্টিত নতুনকৈ পুনৰ আৰু ১৫ হাজাৰ মহিলাক অৰুণোদয় প্ৰদান কৰা হ'ব। ৭০ বছৰৰ উৰ্দ্ধৰ সকলো লোককে ৰেচন কাৰ্ড থাকক বা নাথাকক আয়ুস্মান ভাৰত আঁচনিত সামৰি লৈ বছৰি ৫ লাখ টকালৈকে বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। মহিলা আত্মসহায়ক গোটৰ সদস্যা সকলকো অহা ফেব্ৰুৱাৰী মাহত তেওঁলোকৰ বেংক একাউণ্টযোগে ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। নিযুত মইনা আঁচনিৰ অধীনতো উচ্চতৰ মাধ্যমিক স্নাতক আৰু স্নাতকোত্তৰ বা বি এড প্ৰথম বৰ্ষত অধ্যয়ন কৰি থকা মুঠ ডেৰ লাখ ছাত্ৰীক মাহে ক্ৰমে ১,০০০, ১,২৫০ আৰু ২,৫০০ টকাকৈ প্ৰদান কৰা হৈছে। বৰ্তমান ৰাজ্য চৰকাৰৰ পৰা দুখীয়া দৰিদ্ৰ ৰাইজে যিমান সুবিধা লাভ কৰিছে সিমান সহায় পূৰ্বৰ কোনো চৰকাৰ দিনত লাভ কৰা নাছিল বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰাৰ লগতে চামগুৰি ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত অতি কম মূল্যত পৰিবহণ বিভাগৰ গাড়ীৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। কলিয়াবৰ জিলা বিজেপি সভাপতি বাবুল বৰা আৰু উপ-সভাপতি পাৰ্থ প্ৰতিম হাজৰিকা আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে আঁট ধৰা বিশাল নিৰ্বাচনী সভাখনত চামগুৰি উপ-নিৰ্বাচনৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই ভাষণ প্ৰসংগত কয় যে, এইকেইদিন চামগুৰিত মোৰ কেইটামান অভিজ্ঞতা হৈছে। চামগুৰিত মোৰ হাজাৰ-হাজাৰ জন ভাইটি পাইছো। আজি চামগুৰিত পৰিৱৰ্তনৰ ধুমুহা বলিছে। মই ৰজাৰ ঘৰৰ পৰা অহা নাই। সাধাৰণ ঘৰৰ পৰা আহিছো ৰাইজৰ হ'কে কাম কৰিবলৈ। ভয়-ভাবুকিৰ ৰাজনীতি কৰিবলৈ অহা নাই। এটা ভাল মনলৈ আহিছো ৰাইজৰ সেৱা কৰিবলৈ। মই নিৰ্বাচনত জয় হ'লে ৰাষ্টাঘাট আৰু স্বাস্থ্যখণ্ড উন্নতিৰ হ'কে কাম কৰিম। আমি হিংসা কেতিয়াও নিবিছাৰো। সদায় শান্তি আৰু সমৃদ্ধিশালী চামগুৰি বিছাৰো। আপোনালোকে মোক যেনেকৈ এশ শতাংশ মৰম দিছে মই নিৰ্বাচনত জয় হ'লে আপোনালোকক এশ এক শতাংশ মৰম দিম। ছাত্ৰ-ছাত্ৰীসকলে উচ্চশিক্ষা গ্ৰহণ কৰিবৰ কাৰণে যি প্ৰতিযোগিতামূলক পৰীক্ষা হয় সেই পৰীক্ষাত উত্তীৰ্ণ হ'বৰ কাৰণে চামগুৰিত সমষ্টিত চাৰিটা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। আজি অনুষ্ঠিত হোৱা বিশাল নিৰ্বাচনী সভাখনত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক পৰমানন্দ ৰাজবংশী, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক তংৰগ গগৈ, মন্ত্ৰী কেশৱ মহন্ত বিমল বৰা বিধায়ক ৰমাকান্ত দেউৰী, ৰূপক শৰ্মা, প্ৰভাৰি হৰিছ ত্ৰিবেদী, বিধায়ক হেমাংগ ঠাকুৰীয়া, অসম গণ পৰিষদৰ দলৰ নগাঁও জিলাৰ সভাপতি মণিমাধৱ মহন্ত, বিজেপি নগাঁও জিলাৰ সভাপতি অভিজিৎ নাথকে ধৰি বহুকেইজন বিধায়ক আৰু বিজেপিৰ বহুসংখ্যাক নেতা-কৰ্মী উপস্থিত থাকে। এনেদৰে এতিয়া নিৰ্বাচনমুখৰ হৈ পৰিছে চামগুৰিৰ আকাশ-বতাহ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰুশ্বদিৰ গ্ৰন্থত অৱশেষত প্ৰত্যাহাৰ হ'ল

আৰোপ কৰা নিষেধাজ্ঞা অৱশেষত প্ৰত্যাহাৰ কৰিলে দিল্লী উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে, মুছলমান আৰু ইছলাম ধৰ্মক লৈ লিখা কেতবোৰ আপত্তিজনক কথাই ভাৰতত সাম্প্ৰদায়িক সংঘাতৰ সূচনা কৰাৰ আশংকাত ১৯৮৮ চনত ছলমান ৰুছদীৰ 'দ্য চেটেনিক ভাৰ্ছেছ'ৰ বহিঃৰাষ্ট্ৰৰ পৰা আমদানিত নিষেধাজ্ঞা আৰোপ কৰিছিল তদানীন্তন ৰাজীৱ গান্ধী চৰকাৰে। কন্তু শেহতীয়াকৈ 'কেন্দ্ৰীয় পৰোক্ষ কৰ আৰু শুল্ক ব'ৰ্ডে' আদালতত কয় যে প্ৰায় চাৰে তিনি দশকৰ আগৰ নিষেধাজ্ঞাৰ অধিসূচনা এতিয়া বিচাৰি পোৱা নাযায়। ইয়াৰ পিছতে উচ্চ ন্যায়ালয়ে গ্ৰন্থখনিৰ আমদানিৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। দৰাচলতে ৰুছদীৰ এই বহু বিতৰ্কিত গ্ৰন্থখনিৰ আমদানি নিষেধাজ্ঞাক প্ৰত্যাহ্বান জনায় ২০১৯ চনত আদালতৰ কাষ চাপে সন্দীপন খান নামৰ এজন ব্যক্তিয়ে। তেওঁ আদালতত কয় যে নিষেধাজ্ঞাৰ বাবে বহিঃৰাজ্যৰ পৰা কিতাপখন আনিব পৰা নাই। অন্যহাতে কোনো চৰকাৰী ৱেবচাইটত কিতাপখনৰ আমদানি নিষিদ্ধ কৰা বুলি কোনো জাননী লাভ নকৰা বুলিও উল্লেখ কৰে আবেদনকাৰীয়ে। গৃহ মন্ত্ৰালয়ে তেওঁক জনোৱা মতে, তথ্য লাভৰ অধিকাৰ আইনৰ অধীনত কিতাপখন নিষিদ্ধ কৰা হৈছে। কিন্তু প্ৰায় চাৰে তিনি দশক পূৰ্বে গ্ৰন্থখনৰ ওপৰত আৰোপ কৰা চৰকাৰী নিষেধাজ্ঞাৰ কোনো প্ৰতিলিপি আদালতত উত্থাপন কৰাত ব্যৰ্থ হয় গৃহ মন্ত্ৰালয়। মঙলবাৰে দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰেখা পল্লী আৰু ন্যায়াধীশ সৌৰভ বেনাৰ্জীৰ বিচাৰপীঠে শুনানি গ্ৰহণ কৰে। আদালতে কয় যে, বৰ্তমান পৰিস্থিতিত কিতাপখনত এনে কোনো নিষেধাজ্ঞা নাই বুলি ধৰি লোৱাৰ বাহিৰে আন কোনো বিকল্প নাই। ফলত আবেদনকাৰীক কিতাপখন দেশলৈ আনিবলৈ দিয়া হ'ব পাৰে বুলি উচ্চ ন্যায়ালয়ে প্ৰকাশ কৰে। প্ৰণিধানযোগ্য যে, ইছলাম ধৰ্মৰ বিৰুদ্ধে আপত্তিজনক আৰু অপমানজনক বিষয়বস্তু থকা বুলি অভিযোগ উত্থাপন হোৱা ৰুছদীৰ 'দ্য চেটেনিক ভাৰ্ছেছ' গ্ৰন্থখনিৰ ওপৰত ভাৰতৰ লগতে পাকিস্তান, বাংলাদেশসহ কেবাখনো মুছলমান প্ৰধান দেশে।

■ ৮নং পৃষ্ঠাৰ পৰা...

# ৩৭০ক লৈ উত্তপ্ত কাশ্মীৰ বিধানসভা

ইয়াৰ পিছতে বিৰোধী বিজেপিৰ বিধায়কসকলে বিধানসভাত প্ৰতিবাদ আৰম্ভ কৰে। জম্মু-কাশ্মীৰ বিধানসভাত বিৰোধী দলপতি সুনীল শৰ্মা আৰু উপস্থিত বিজেপিৰ অন্যান্য বিধায়কসকলে খুৰশ্বিদ আলম শ্বেখে প্ৰদৰ্শন কৰা বেনাৰৰ বিৰোধিতা কৰে। ইয়াৰ পিছতে বিজেপি বিধায়কসকলে খুৰশ্বিদ আলম আৰু আন আন বিধায়কসকলৰ সৈতে তীব্ৰ বাক-বিতণ্ডা আৰম্ভ কৰে। ইফালে পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ হৈ পৰাত বিধানসভাৰ অধ্যক্ষই মাৰ্শ্বাল লগাই একাংশ বিধায়কক বাহিৰ কৰি দিয়াৰ লগতে বিৰোধী বিধায়কসকলক মাৰ্জিত আচৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে, জম্মু-কাশ্মীৰৰ বিধানসভাত ইয়াৰ পূৰ্বে পিডিপিয়ে ৩৭০ অনুচ্ছেদ আৰু ৩৫এ অনুচ্ছেদ ঘূৰাই দিয়াৰ দাবীত প্ৰস্তাৱ আনিছিল। এই ২টা দফা বাতিল কৰাটো অসাংবিধানিক বুলি দাবী কৰিছিল পিডিপিয়ে। সমান্তৰালভাৱে ২০১৯ চনৰ জম্মু-কাশ্মীৰ পুনৰ্গঠন আইনৰো বিৰোধিতা কৰে দলটোৱে। পিডিপিয়ে কয় যে, এই আইনৰ জৰিয়তে সংবিধানত দিয়া অধিকাৰ খৰ্ব কৰা হৈছে। লক্ষণীয় যে, পিডিপিৰ এই প্ৰস্তাৱত স্বাক্ষৰ কৰে শ্বেখ খুৰশ্বিদে। প্ৰণিধানযোগ্য যে, ৪ নৱেম্বৰৰ পৰা আৰম্ভ হৈছে জম্মু-কাশ্মীৰৰ নতুন বিধানসভাৰ অধিৱেশন। কিন্তু এই অধিৱেশনৰ প্ৰথম দিনটোতে সদনত সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। প্ৰথম দিনাই পুলৱামাৰ পৰা পিডিপিৰ বিধায়কগৰাকীয়ে ৩৭০ অনুচ্ছেদ বাতিলৰ বিৰোধিতা কৰি প্ৰস্তাৱ আনে। লগতে জম্মু-কাশ্মীৰক বিশেষ মৰ্যাদা ঘূৰাই দিয়াৰ দাবী জনায়। শেহতীয়াকৈ বিধানসভা নিৰ্বাচনত জয়লাভ কৰি কাশ্মীৰত চৰকাৰ গঠন কৰিছে ৰাষ্ট্ৰীয় সন্মিলনে। তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰত ৩৭০ অনুচ্ছেদ পুনৰ ঘূৰাই অনাৰ লগতে জম্মু-কাশ্মীৰৰ ৰাজ্যিকতা পুনৰ ঘূৰাই অনাৰ প্ৰতিশ্ৰুতিও দিয়া হৈছিল। শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি এই দাবী পুনৰ উত্থাপন কৰিছে মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গোচৰ চলাবলৈ ৰকিবুলৰ প্ৰত্যাহ্বান

একালৰ সতীৰ্থ, বৰ্তমান কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। তৰুণ গগৈ চৰকাৰৰ দিনত মন্ত্ৰী হৈ থকাৰ সময়ৰ চাকৰি দিয়াৰ প্ৰসংগ পুনৰ উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰকিবুল হুছেইনে চাকৰি দিয়াৰ কথা কয়। ২০০৫-২০০৬ চনত আৰক্ষীৰ কনিষ্টবলৰ নিযুক্তিক লৈ এক বিশাল বিতৰ্ক হৈছিল। ৰকিবুল হুছেইন গৃহ ৰাজ্যমন্ত্ৰী আছিল। ক্ষমতাৰ অপব্যৱহাৰ কৰি সেই সময়ত বহু চাকৰি দিয়াৰ অভিযোগ আনি তদন্তৰ ঘোষণা কৰিছিল মুখ্যমন্ত্ৰীয়ে। তাৰ পাছতে প্ৰত্যুত্তৰ দিছে সাংসদ ৰকিবুল হুছেইনে। ৰকিবুল হুছেইনে সদম্ভে গোচৰ ৰুজু কৰিবলৈ আহ্বান জনাই কয় যে মই বিচাৰো তেওঁ গোচৰ ৰুজু কৰক। তেওঁ যে কিমান অসৎ মানুহ। এইবোৰ যে প্ৰশ্ন কৰি আছে নেট কাটি তেওঁৰ ঘৰতে পেনেৰে আকি কাক কেনেকৈ চাকৰি দিছিল সেই কথাবোৰ এটা এটাকৈ ফাদিল কৰিম। হুছেইনে আজিলৈ কোনো এটা অনিয়ম কৰা বুলি দাবী কৰে। তেওঁৰ কাৰ্যালয়ত নীতি-নিয়ম মানি চাকৰি দিয়া বুলি দাবী কৰি হুছেইনে কয় যে উচ্চতম ন্যায়ালয়লৈ গোচৰ গৈছে। গোচৰত জিকি আহিছে। আমি দিয়া চাকৰিবিলাক পদ্ধতি মতে দিছো। আনহাতে মুখ্যমন্ত্ৰীয়ে ঘৰতে পেনেৰে আকি কাক দিম সেই কথা ঠিক কৰিছিল। মোৰ মুখখন নোখোলাই ভাল। যদি তদন্ত কৰে তেন্তে মই ৱেলকাম কৰিম। হিমন্ত বিশ্ব শৰ্মাৰ নাম নোলোৱাকৈ পৃথিৱীৰ ভিতৰত অসৎ মানুহ নাই বুলি কৈ নেট কাটি নিজকে সৎ মানুহ বুলি দেখাব খোজা বুলি ৰকিবুলে উভতি ধৰে মুখ্যমন্ত্ৰীক। মুখ্যমন্ত্ৰীক উদ্দেশ্যি মোৰ মুখখন নোখোলাই ভাল বুলি বাৰে বাৰে কয় হুছেইনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ ভিন্ন প্ৰান্তত ষট পূজা

মহানগৰীতো উলহ-মালহেৰে বিহাৰী সম্প্ৰদায়ৰ লোকসকলে ষট পূজা পালন কৰে। গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ বিভিন্ন ঘাটৰ লগতে আন আন উপ-নৈসমূহৰ ঘাটত ষট পূজা পালন কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ কেইবাটাও ঘাট, চুণচালিঘাট, ছেক্টৰ ১, ভেটাপাৰা, বশিষ্ঠ মন্দিৰ আদিত ষট পূজা পালন কৰা হয়। আমিনগাঁৱঁতো ষটপূজা পালন কৰা হয়। ঘাটসমূহ পূৰ্বৰে পৰা সাজ-সজ্জাৰে ৰং-চঙীয়া কৰি তোলা হৈছে। আজি পুৱাই নদীৰ ঘাটত উদীয়মান সূৰ্যক পবিত্ৰ হৃদয়েৰে উপাসনা কৰা ষট পূজাৰ আৰম্ভণি কৰা হয়। নৈৰ ঘাটত বাঁহৰ পাত্ৰত কুঁহিয়াৰ, কল, মিঠা নেমু, চাউল আৰু ফল প্ৰদান কৰা হয়। কাইলৈ পুৱাও সূৰ্য উদয়ৰ পূৰ্বৰ পৰা ব্ৰতসহ নদীৰ ঘাটত পূজা আৰম্ভ কৰিব। ষট পূজা চাবলৈ নৈৰ ঘাটসমূহত হাজাৰ হাজাৰ লোকৰ আগমন ঘটিছে। নৈৰ বুকুত নামি সূৰ্য দেৱতাক নাৰী-পুৰুষে আৰাধনা কৰা দেখা গৈছে। হিন্দুৰ প্ৰাচীন ষট উৎসৱত গুৱাহাটীত বসবাস কৰা বিহাৰী সম্প্ৰদায়ৰ লোকসকলে সূৰ্য দেৱতাক উৎসৰ্গিত কৰে। পৃথিৱীত জীৱনৰ প্ৰবাহ বজাই ৰখাৰ বাবে সূৰ্য দেৱতাক ধন্যবাদ আৰু আশীৰ্বাদ দিয়ে। ষট পূজাত কোনো মূৰ্তি নাথাকে। ৭ আৰু ৮ নৱেম্বৰত দুদিনীয়াকৈ পালন কৰিবলগীয়া ষট পূজা মহানগৰীক নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। ষট পূজাত আলফা স্বাধীনে কূটাঘাতৰ আশংকা কৰি মহানগৰ আৰক্ষী আয়ুক্তই জৰুৰী বৈঠক অনুষ্ঠিত কৰিছিল। নৈৰ ঘাটত তীক্ষ্ণ নিৰাপত্তা ব্যৱস্থা, আৰক্ষীৰ মোতায়েন কৰে। ইতিমধ্যে মহানগৰ প্ৰশাসনে কঠোৰ নিৰ্দেশ প্ৰেৰণ কৰি নিৰ্দেশনাসমূহ পালন কৰিবলৈ কয়। বিশেষকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিবলৈ কোৱা হৈছে। আনহাতে কেইবাটাও পথৰ নিৰ্দেশনা সলনি কৰিছে মহানগৰ আৰক্ষীয়ে। ৰাজ্যৰ আন ষটপূজাস্থলীসমূহতো দেখা গৈছে ব্যাপক ভিৰ আৰু উলহ-মালহ।

# ট্ৰাম্পক লৈ আশাবাদী ভাৰত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ছিডনীত মুখ্য কাৰ্যবাহী বিষয়া আৰু ব্যৱসায়িক নেতাসকলক সম্বোধন কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে স্পষ্ট কৰি দিয়ে যে চীনৰ বিৰুদ্ধে ট্ৰাম্পে যি ধৰণৰ ব্যৱস্থা ঘোষণা কৰিছে, তেনে ব্যৱস্থাৰ সৈতে এতিয়া আগন্তুক সময়ত চীনক প্ৰত্যাহ্বান জনাবলৈ সাজু হৈছে ভাৰতো। উল্লেখ্য যে, বিগত চাৰি দশক ধৰি যোগান শৃংখলৰ শীৰ্ষত আছে চীন আৰু এই দেশখনৰ ওপৰতে নিৰ্ভৰশীল হৈ আহিছে বিশ্বৰ আন বহু দেশ। অৱশ্যে এতিয়া ভাৰতো এই শৃংখলৰ অংশ হ'বলৈ আৰম্ভ কৰিছে, যাৰ অন্যতম উদাহৰণ হ'ল 'এপল'। চীনৰ পৰা দখল কৰা এপলৰ যোগান শৃংখলৰ ভাৰত এতিয়া এক গুৰুত্বপূৰ্ণ অংগ বুলি কয় এছ জয়শংকৰে। তেওঁ লগতে কয়, "আমি বিশ্বাস কৰোঁ যে যোগান শৃংখলৰ পুনৰ্গঠন আৰু পুনৰ ক্ৰমবিন্যাস প্ৰক্ৰিয়াই ভাৰতৰ বাবে নতুন সুযোগ প্ৰদান কৰিব। ট্ৰাম্প প্ৰশাসন আৰু চলি থকা বিশ্ব ৰাজনীতিয়ে ইয়াক ত্বৰান্বিত কৰিব। ভাৰতৰ ভৱিষ্যতৰ প্ৰতি আমি অতি আশাবাদী।" ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও শেহতীয়াকৈ কয় যে, "যেতিয়া ভাৰত আৰু আমেৰিকাই অৰ্ধপৰিবাহী আৰু জটিল খনিজ পদাৰ্থৰ ওপৰত একেলগে কাম কৰিব, তেতিয়া ই বিশ্বৰ যোগান শৃংখলক অধিক বৈচিত্ৰময়, নমনীয় আৰু নিৰ্ভৰযোগ্য কৰি তুলিব।" লক্ষণীয় যে, ভাৰতে এতিয়া নিজৰ যোগান শৃংখল শক্তিশালী কৰি তুলিছে। সেইবাবেই বস্ত্ৰ খণ্ডত এক উন্নত পৰিৱেশ তন্ত্ৰৰ বিকাশ ঘটিছে, য'ত স্বয়ংক্ৰিয়কৰণ, অনুসন্ধানযোগ্যতা আৰু দক্ষ কৰ্মশক্তি অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰত যে যোগান শৃংখলৰ অংশ হ'বলৈ সক্ষম হৈছে সেয়া স্পষ্টভাৱে প্ৰমাণিত হৈছে। অৱশ্যে যোগান শৃংখলৰ ভিতৰত কিছু বটলনেক আৰু সময়ৰ সমস্যাও আছে। অৱশ্যে এই প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ বাবে ভাৰতৰ বাবে এতিয়া এক বৃহৎ সুযোগ বুলি মন্তব্য কৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে। তেওঁ লগতে কয় যে দক্ষ শ্ৰমিক শক্তি, বৃহৎ সংখ্যক গ্ৰাহক আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে অতিৰিক্ত সুবিধা থকা ভাৰত বিশ্বৰ অন্যতম দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি। যিহেতু চীন এসময়ত যোগান শৃংখলৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল, ভাৰতেও সেই দিশত আগবাঢ়িছে বুলিও কয় বিদেশ মন্ত্ৰী এছ জয়শংকৰে।

# তালাপত মানৱ সৰবৰাহকাৰী চক্ৰৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

অব্যাহত থকাৰ কথা পোহৰলৈ আহিছে। শেহতীয়াকৈ ডুমডুমা থানাৰ অন্তৰ্গত বৃহত্তৰ তালাপ অঞ্চলৰ ৮ গৰাকীকৈ কিশোৰীক অৰুণাচলত কাম দিয়াৰ প্ৰলোভন দি লৈ যোৱাৰ তথ্য পোহৰলৈ আহিছে। তালাপ আৰক্ষী চকীৰ অন্তৰ্গত ২ নং মিছিমিকটা গাঁৱৰ পৰা কজৰঙা গাঁৱৰ লাহতী বাগিচা নিবাসী ৰতন পৰজা আৰু চেম্পু পৰজা নামৰ দুজন ব্যক্তিয়ে চলিত বৰ্ষৰ মাৰ্চ মাহত পৰিয়ালৰ লোকক নানান প্ৰলোভন দি ফুচুলাই নি পেঙেৰী আৰক্ষী থানাৰ অন্তৰ্গত ফিল'বাৰী তৰাণী গাঁও নিবাসী ৰাজীৱ মৰাণ নামৰ ব্যক্তিজনৰ হাতত গতাই দিছিল কিশোৰীকেইগৰাকীক। তাৰ পিছত ৰাজীৱ মৰাণে অৰুণাচল প্ৰদেশত কিশোৰী কেইগৰাকীক বিক্ৰী কৰি দিয়াৰ সন্দেহ কৰা হৈছে। উল্লেখ্য যে, ৰতন পৰজা, চেম্পু পৰজাৰ দৰে বহুজনে এই মানৱ সৰবৰাহকাৰী চক্ৰটোৰ এজেন্টৰ দৰে কাম কৰাৰ অভিযোগ উত্থাপিত হৈছে। পৰিয়ালৰ লোকে কিশোৰীকেইগৰাকী অৰুণাচলৰ ইটানগৰত আছে বুলি সন্দেহ কৰিছে যদিও মাৰ্চ মাহৰ পৰা কোনোধৰণৰ যোগাযোগ কৰিব পৰা নাই কিশোৰীকেইগৰাকীৰ সৈতে। ভুক্তভোগী কিশোৰীকেইগৰাকীৰ পৰিয়ালৰ লোকক ৪,৫০০ টকাকৈ ৰতন পৰজাই দিছিল বুলি উল্লেখ কৰি কিশোৰীকেইগৰাকীৰ ভুক্তভোগী পৰিয়ালে এই সন্দৰ্ভত কালি তালাপ আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। সৰলতা বা দৰিদ্ৰতাক টাৰ্গেট কৰি এচামে ৰঙীন জীৱনৰ সপোন দেখুৱাই এনেদৰে মানৱ সৰবৰাহ কাৰ্য অব্যাহত ৰখা কাৰ্যই এতিয়া সকলোকে ভবাই তুলিছে। আৰক্ষী-প্ৰশাসন তথা 'বেটী পঢ়াও, বেটী বচাও' শ্ল'গান দিয়া বিজেপি চৰকাৰে এই ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে, সেয়া সম্প্ৰতি লাখ টকীয়া প্ৰশ্ন হিচাপে বিবেচিত হৈছে। ইফালে, এই ঘটনাই এতিয়া সমগ্ৰ জিলাখনতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# অবিবাহিত বাবেই কোনো নাহিল

■ প্ৰথম পৃষ্ঠাৰ পৰা...

নোলোৱা বাবেই এগৰাকী হিন্দু মহিলাৰ মৃতদেহ গাঁত খান্দি পুতি থ'বলগীয়া হ'ল পৰিয়ালৰ লোকে। ঘটনাৰ বিৱৰণী অনুসৰি, সোমবাৰে ৰাতিপুৱাৰ গাওঁখনৰ পাৰুল ডেকা নামৰ প্ৰায় ষাঠিৰোৰ্ধ এগৰাকী অবিবাহিত মহিলাৰ মৃত্যু হয়। বিগত এমাহ ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা দৰিদ্ৰ পৰিয়ালৰ মহিলা গৰাকীৰ মৃত্যুৰ পাছত আবেলিলৈ ঘৰখনত মৃতদেহ সৎকাৰৰ বাবে স্থানীয় কোনো লোক উপস্থিত নোহোৱাত বিমোৰত পৰে মৃত মহিলাগৰাকীৰ পৰিয়ালটো। অৱশেষত মহিলাগৰাকীৰ ককায়েকে নিজ পুত্ৰৰ সৈতে সাঙী কৰি লৈ যায় এক কিলোমিটাৰ দূৰৈত থকা শ্মশানখনলৈ। তেওঁলোকক সংগ দিয়ে চাৰিজন চুবুৰীয়া লোকে। সৎকাৰ কৰিবলৈ গাওঁবাসীৰ সহযোগ নোপোৱাৰ বাবে তেওঁলোকে উপায়ন্তৰ হৈ পাৰুল ডেকাৰ মৃতদেহটো পুতি থৈ আহে। ইপিনে দুদিন উকলি যোৱাৰ পিছত এই ঘটনাৰ কথা চৌদিশে প্ৰচাৰ হোৱাৰ লগে লগে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সচেতন মহলত। পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি খবৰ পায়ো সৎকাৰৰ বাবে ওলাই নাহিল চুবুৰীয়া লোকসকল। মৃতকৰ ঘৰত গাওঁবাসীৰ অসহযোগিতাৰ কথা প্ৰচাৰ হোৱাৰ লগে লগে কোনোৱে সময়ৰ অভাৱ, কোনোৱে খবৰ নোপোৱাৰ অজুহাত দেখুৱাই দায়িত্ব সামৰাৰ চেষ্টা কৰিছে যদিও গাওঁবাসীৰ এনে মানসিকতাক ধিক্কাৰ দিছে সচেতন লোকসকলে। উল্লেখ্য যে, এই ক্ষেত্ৰত গাওঁখনৰ গাওঁ প্ৰধানজনৰ নিৰ্লিপ্ত ভূমিকাকো গৰিহণা দিছে ৰাইজে। সভ্য সমাজক লজ্জানত কৰা এই ঘটনাই সমগ্ৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে প্ৰতিক্ৰিয়াৰো সৃষ্টি হোৱা দেখা গৈছে।

# জিএমচিত লাগিব আধাৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

আই.ডিৰ অধীনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৰোগীৰ তথ্য মজুত হ'ব। এবিএইচএ আইডিৰ বাবে ৰোগীয়ে লগত আনিব লাগিব আধাৰ কাৰ্ড। আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্ট কাৰ্ড হৈছে ডিজিটেল স্বাস্থ্য আইডি য'ত ১৪টা সংখ্যাৰ এক কোড থাকে। এই কোডৰ দ্বাৰা এজন ৰোগীয়ে যিকোনো প্ৰান্তত নিজৰ ৰোগ, চিকিৎসাৰ বিষয়ে তথ্যসমূহ প্ৰত্যক্ষ কৰিব পাৰিব বা হাস্পতাল কৰ্তৃপক্ষই চিকিৎসা ইতিবৃত্ত লাভ কৰিব। ভাৰতৰ ডিজিটেল স্বাস্থ্যসেৱা তন্ত্ৰৰ অধীনত দেশৰ স্বাস্থ্যসেৱা প্ৰদানকাৰী সংস্থাই এই তথ্য লাভ কৰিব। এতিয়াৰ পৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ চিকিৎসাৰ বাবে আহিলে ৰোগীৰ পৰিয়ালে লগত লৈ আহিব লাগিব আধাৰ কাৰ্ড। কিয়নো ৰোগীৰ বাবে আধাৰ কাৰ্ড অনিবাৰ্য হৈ পৰিল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, নেচনেল মেডিকেল কাউন্সিলে ৰোগীৰ তথ্য মজুত হৈ থকাটো বাধ্যতামূলক কৰিছে। ৰোগীৰ সমস্ত তথ্য পৰ্টেলত অন্তৰ্ভুক্ত কৰিবলৈ আধাৰ কাৰ্ড লগত আনিব লাগিব। জানিব পৰা মতে, ৰোগীৰ আধাৰকাৰ্ডৰ ভিত্তিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰতিগৰাকী ৰোগীক এবিএইচএ আই.ডি প্ৰদান কৰিব। সেই এবিএইচএ আইডিৰ বাবে আধাৰকাৰ্ড দৰকাৰ। আধাৰ কাৰ্ডৰ সৈতে সংলগ্ন মোবাইললৈ একোটাকৈ অ'টিপি যাব। অ'টিপি দিয়াৰ পাছতে এবিএইচএ আইডি তথা ১৪টা সংখ্যাৰ এক কোড তৈয়াৰ হ'ব। তাৰ লগে লগে সকলো তথ্য নিৰ্দিষ্ট পৰ্টেলত আপলোড হ'ব আৰু সেই তথ্য মেডিকেল কাউন্সিলে লাভ কৰিব। ইয়াৰ বাবেই এতিয়া জিএমচিএইছত আধাৰ কাৰ্ড প্ৰয়োজনীয় হৈ পৰিছে। এই ব্যৱস্থাত কেতিয়াবা কোনোৱে আধাৰ কাৰ্ড নানিলেও ৰোগীক ভৰ্তি নকৰাকৈ নাথাকে বা চিকিৎসাৰ পৰা বঞ্চিত নহয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উদ্ধাৰ হ'ল অপহৃত গৌতম

কজ্জাৰ পৰা আজি মুকলি কৰি দিছে। অৰুণাচল প্ৰদেশৰ জয়ৰামপুৰ ১৭ মাইলত আজি পুৱাৰ ভাগত উদ্ধাৰ হয় গৌতম বসুমতাৰী। সন্দেহ কৰা মতে, বিদ্ৰোহী সংগঠন আলফা স্বাধীনে ম্যানমাৰৰ জংঘলৰ পৰা আনি অৰুণাচলত আজি পুৱাই মুকলি কৰি দিছিল। তাৰ পাছতে অসম আৰক্ষীক খবৰ দিয়াত অসম আৰক্ষীয়ে উদ্ধাৰ কৰি প্ৰাথমিক স্বাস্থ্যৰ ব্যৱস্থা কৰে। গৌতম বসুমতাৰী কিছু অসুস্থ বুলি জানিব পৰা গৈছে। সম্পূৰ্ণ সুস্থ হৈ উঠাৰ পিছতে আৰক্ষীয়ে অপহৰণ কাণ্ডত কোন জড়িত সেই কথা উলিয়াবলৈ সোধা-পোছা কৰিব। প্ৰকৃততে গৌতম বসুমতাৰীৰ অপহৰণ কাণ্ডত কোনো বিদ্ৰোহী সংগঠন নে আন কোনোবা জড়িত হৈ আছে সেই কথা এই পৰ্যন্ত পোহৰলৈ অহা নাই। আলফা স্বাধীনে অপহৰণ কৰাৰ সন্দেহ কৰা হৈছে যদিও আলফা স্বাধীন বা আৰক্ষীয়ে এই পৰ্যন্ত স্পষ্টীকৰণ দিয়া নাই। কিন্তু ১৫ দিনৰ অন্তত বিভিন্ন দল-সংগঠন তথা ৰাইজৰ দাবীৰ অন্তত গৌতম বসুমতাৰীক অপহৰণকাৰীয়ে মুকলি কৰি দিয়ে। জাগুনৰ ব্যৱসায়ী ৰাধা চেতিয়াৰ চাহ ফেক্টৰীৰ মহৰী আছিল গৌতম বসুমতাৰী। ২৪ অক্টোবৰৰ নিশা প্ৰায় ১০ বজাত সামৰিক পোছাক পৰিধান কৰি অহা এটা অস্ত্ৰধাৰী দলে ফেক্টৰীত প্ৰৱেশ কৰি প্ৰথমে কৰ্মচাৰীৰ মোবাইলসমূহ কাঢ়ি লয়। উদ্যোগত থকা কৰ্মচাৰীক এঠাইত সমৱেত কৰি পৰিচালকক বিচাৰিবলৈ আৰম্ভ কৰে। উদ্যোগৰ এটা এলেকাত মহৰী গৌতম বসুমতাৰী আৰু পৰিচালকজন নিদ্ৰাৰত অৱস্থাত আছিল। অস্ত্ৰধাৰী দলটোৱে ফেক্টৰীৰ পৰিচালক আৰু মহৰী গৌতম বসুমতাৰীক বিছনাৰ পৰা উঠাই লগত লৈ যায়। কিন্তু কিছু দূৰ যোৱাৰ পাছতে পূৰ্বৰে পৰা অসুস্থ ফেক্টৰীৰ পৰিচালকক এৰি থৈ মহৰী গৌতম বসুমতাৰীক লগত লৈ যায়। এই ঘটনা সংঘটিত হোৱাত তিনিচুকীয়া জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। নিশাই আৰক্ষীক খবৰ দিয়াত বৃহৎ আৰক্ষীৰ দল উপস্থিত হয় যদিও তেতিয়ালৈ অস্ত্ৰধাৰী দলটোৱে উদ্যোগ এলেকা এৰি গৈছিল। তিনিচুকীয়া আৰক্ষীয়ে ফেক্টৰীৰ কৰ্মচাৰীক সোধা-পোছা কৰাৰ লগতে সমগ্ৰ এলেকাত অভিযান চলাই যদিও উদ্ধাৰ কৰিব নোৱাৰিলে গৌতম বসুমতাৰীক। ২৪ অক্টোবৰৰ পৰা আজিলৈ অসম আৰক্ষীয়ে গৌতম বসুমতাৰীৰ শুংসূত্ৰ উদ্ধাৰ কৰিব পৰা নাছিল যদিও আজি অৰুণাচলত উদ্ধাৰ হয়। ইফালে, গৌতম বসুমতাৰী উদ্ধাৰ হোৱাত স্বস্তিৰ নিশ্বাস এৰিছে তেওঁৰ পৰিয়ালটোৱে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰেডিঙৰ বাবে নহয়! চিনাকিসূত্ৰে ধাৰ

বুদ্ধি'ৰ দীপাংকৰে বিনিয়োগকাৰীক এনেদৰে টুপী পিন্ধাইছিল যে সেই অনুসাৰে বিনিয়োগৰাকীয়ে টকা উভতাই বিচৰাৰ ৰাস্তাই নাই। চুক্তিপত্ৰত টকা যে ট্ৰেডিঙৰ নামত লৈছিল তাৰ কোনো কথাই উল্লেখ নাই। বিনিয়োগকাৰীৰ পৰা লক্ষ লক্ষ টকা সংগ্ৰহ কৰিছিল ঠিকেই, কিন্তু সেই টকা যে ট্ৰেডিঙত বিনিয়োগ কৰি পুনৰ ঘূৰাই দিব তাৰ কোনো লিখিত প্ৰতিশ্ৰুতি দিয়া নাছিল বা চুক্তি নাছিল। কিন্তু বিনিয়োগকাৰীৰ সৈতে দীপাংকৰে কৰিছিল এখন অন্য চুক্তিহে। যিখন চুক্তিত স্বাক্ষৰ কৰি দীপাংকৰৰ ডি.বি ষ্টকত বিনিয়োগ কৰিছিল বিনিয়োগকাৰীসকলে। কিয়নো প্ৰতিগৰাকী বিনিয়োগকাৰীৰ সৈতে কৰা চুক্তি মৰ্মে সেই টকা দীপাংকৰে ধাৰলৈ লৈছিল। কেৱল চিনাকি সূত্ৰে ধাৰ লৈছিল টকাবোৰ। সমগ্ৰ ঘটনাৰ বা-বাতৰি চাই আৰু শুনাৰ পিছত বিশ্বাস কৰিবলৈ টান লাগিলেও চুক্তিপত্ৰত এই কথাই লিখা আছে। বিনিয়োগকাৰীয়ে সেই ধন ট্ৰেডিঙৰ নামত দিয়া নাছিল আৰু দীপাংকৰে ট্ৰেডিঙত বিনিয়োগ কৰিবলৈ লোৱাই নাছিল। সেই টকা চিনাকি সূত্ৰে ধাৰতহে লৈছিল। চুক্তি পত্ৰত এই কথা তন্ন তন্নকৈ উল্লেখ আছে। দুই পৃষ্ঠাৰ চুক্তি পত্ৰত প্ৰতিগৰাকী বিনিয়োগকাৰীয়ে স্বাক্ষৰ কৰা এই চুক্তি পত্ৰ পোহৰলৈ অহাত আৰক্ষীও হতচকিত হৈ পৰিছে। উচ্চ শিক্ষিত লোকসকলে অতি কষ্টৰে উপাৰ্জন কৰা টকা কেনেদৰে এনে এক চুক্তি কৰি দীপাংকৰক ধাৰলৈ দিছিল সেই কথাটোক লৈয়ো চৰ্চা চলিছে। সামাজিক মাধ্যমতো বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰিছে। এই চুক্তি মৰ্মে বিনিয়োগৰ ধন ঘূৰাই নাপালে আপত্তি নথকাৰ কথাও উল্লেখ থকাৰ দৰেই হৈছে। কিয়নো ধাৰত লোৱা টকাৰ গোচৰে কিমান গুৰুত্ব পাব সেয়া চিন্তাৰ বিষয়। দীপাংকৰ বৰ্মনে ধাৰলৈ টকা লোৱাৰ চুক্তি কৰাত ডি.বি ষ্টকৰ বিনিয়োগকাৰীয়ে ধন ঘূৰাই নাপাবও পাৰে বুলি ভূ-ৰখামহলে অনুমান ব্যক্ত কৰিছে। উল্লেখ্য যে, ২৭ অক্টোবৰত মহা প্ৰৱঞ্চক দীপাংকৰ বৰ্মনক গোৱা আৰক্ষী আৰু অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। দুমাহ মাহ ধৰি আত্মগোপন কৰি থকা দীপাংকৰ বৰ্মনক ২৭ লাখ টকা আৰু সোণসহ গোৱাত গ্ৰেপ্তাৰ কৰা হৈছিল। বৰ্মনে অসমৰ লগতে কেইবাখনো ৰাজ্যত ডি.বি ষ্টক নামৰ কোম্পানীৰ দ্বাৰা ধন সংগ্ৰহ কৰিছিল। দীপাংকৰে পলায়ন কৰি থকা অৱস্থাত ২১ অক্টোবৰত গুৱাহাটী আৰক্ষীয়ে প্ৰেমিকা, পিতৃ-মাতৃ চবিন বৰ্মন, দীপালি তালুকদাৰ আৰু চিএ মহেশ আগৰৱালাকো গ্ৰেপ্তাৰ কৰিছিল। দীপাংকৰে পিতৃ-মাতৃৰ একাউণ্টৰ জৰিয়তে কোটি কোটি টকাৰ লেনদেন কৰাৰ তথ্য লাভ কৰিছিল আৰক্ষীয়ে। ধন লেন-দেনৰ সঠিক তথ্য দিব নোৱাৰাত আৰক্ষীয়ে পিতৃ-মাতৃ আৰু চিএক গ্ৰেপ্তাৰ কৰিছিল। উল্লেখ্য যে, মহানগৰীৰ উলুবাৰীত ডি.বি ষ্টক ব্ৰকিং কনছালটেন্সি নামৰ বিত্তীয় প্ৰতিষ্ঠান খুলি কোটি কোটি টকা লুণ্ঠন কৰি পলাতক হৈ আছিল প্ৰৱঞ্চক দীপাংকৰ বৰ্মন। কেবাখনো বিলাসী বাহন জব্দ কৰি দীপাংকৰক বিচাৰি দুমাহ ধৰি ৰাজ্যৰ লগতে দেশৰ ভিন্ন প্ৰান্তত অভিযান চলাইছিল অসম আৰক্ষীৰ তদন্তকাৰী দলে। শেষ মুহূৰ্তত দীপাংকৰ ধৰা পৰিলেও এতিয়া ধাৰ হিচাপে চুক্তি কৰি ধন দিয়া বিনিয়োগকাৰীসকলে ধন ঘূৰাই পাব নে নাই সেয়া পৰৱৰ্তী সময়তহে স্পষ্ট হৈ পৰিব।

# মৰিগাঁৱৰ নগাবন্ধা ছিনিয়ৰ চেকেণ্ডাৰী বিদ্যালয়ত গুৰু-শিষ্যৰ সংঘাত, উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, মৰিগাঁও, ৭ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ নগাবন্ধা ছিনিয়ৰ চেকেণ্ডাৰী বিদ্যালয়ত শেহতীয়াকৈ বিদ্যালয়ৰ অধ্যক্ষ আৰু ছাত্ৰ একতা সভাৰ মাজত সৃষ্টি হোৱা সংঘাতক লৈ এক উত্তেজনাময় পৰিস্থিতি সৃষ্টি হোৱাৰ ঘটনাই সচেতন মহলক উদ্বিগ্ন কৰি তুলিছে। আনহাতে উক্ত ঘটনাৰ আঁৰত কোনো দুষ্ট চক্ৰ জড়িত থকা বুলি বিদ্যালয়খনৰ ছাত্ৰ একতা সভাই আজি প্ৰকাশ কৰিছে। জানিব পৰা মতে, নৱাগত আদৰণি সভা অনুষ্ঠিত কৰাক লৈ কালি বিদ্যালয়খনৰ অধ্যক্ষ গিয়াছ উদ্দিন আহমেদ আৰু ছাত্ৰ একতা সভা সহিতে একাংশ ছাত্ৰ-ছাত্ৰীৰ মাজত সংঘাত সৃষ্টি হোৱাত প্ৰথমে যুক্তি তৰ্কৰ উদ্ভৱ হয়। এই যুক্তি-তৰ্কৰ পৰাই পৰৱৰ্তী সময়ত গৈ প্ৰতিবাদস্থলীত পৰিণত হয় বিদ্যালয়খনৰ প্ৰাংগণ। একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনৰ অধ্যক্ষ গিয়াছ উদ্দিন আহমেদৰ বিৰুদ্ধে স্বেচ্ছাচাৰিতা আৰু পুঁজিৰ অপব্যৱহাৰ কৰাৰ অভিযোগ তুলি কৰা প্ৰতিবাদ কৰাত বিদ্যালয় চৌহদত এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। আৱশেষত অঞ্চলটোৰ কেইজনমান জ্যেষ্ঠ ব্যক্তি আৰু বিদ্যালয়খনৰ কেইজনমান শিক্ষকৰ মধ্যস্থতাত পৰিস্থিতি নিয়ন্ত্ৰণ হয়। অৱশেষত ছাত্ৰ একতা সভাৰ সম্পাদকে সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ অধ্যক্ষ গিয়াছ উদ্দিন আহমেদ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক ক্ষমা খোজাৰ পিছতহে পৰিৱেশ সুস্থিৰ হয়। আনফালে আশ্চৰ্যজনক ভাৱে কোনো দুষ্টচক্ৰৰ প্ৰৰোচনাত পৰিহে বিদ্যালয়খনত এনে এক অবাঞ্চিত পৰিৱেশৰ সৃষ্টি হোৱা বুলি বিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ ফালৰ পৰা আজি প্ৰকাশ কৰিছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰো সৃষ্টি কৰাৰ লগতে ব্যাপক প্ৰতিক্ৰিয়া দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নদীবান্ধক লৈ আকৌ আন্দোলন ঘোষণা

অখিল গগৈয়ে সমগ্ৰ দেশতে পৰিচিতি লাভ কৰি পৰৱৰ্তী সময়ত সেই পৰিচিতিকে মূলধন হিচাপে লৈ বিধায়ক হ'বলৈ সমৰ্থ হৈছিল সেই আন্দোলনটোক পুনৰ শক্তিশালী কৰি তোলাৰ কথা ঘোষণা কৰিছে। এনএইছপিচিয়ে অৰুণাচলত আৰু ১৩৫টা নতুন নদীবান্ধ নিৰ্মাণৰ পৰিকল্পনা কৰাৰ কথা প্ৰকাশ কৰাৰ পিছতে এই ঘোষণা কৰে ৰাইজৰ দলৰ সভাপতি তথা দলটোৰ একমাত্ৰ বিধায়কগৰাকীয়ে। নদীবান্ধৰ লগতে আন একাধিক বিষয়ক লৈয়ো আন্দোলন কৰাৰ কথা ঘোষণা কৰে গগৈয়ে। এই অনুযায়ী গগৈৰ নিৰ্দেশত আজি কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, নাৰী মুক্তি সংগ্ৰাম সমিতি আৰু চাহ মুক্তি সংগ্ৰাম সমিতিয়ে গুৱাহাটীত আজি কেন্দ্ৰীয় বৰ্ধিক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰে। এই বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ জনবিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে আন্দোলন কৰাৰ সংকল্প লয় গগৈৰ সৈতে সম্পৰ্কিত তথা গগৈৰে নেতৃত্বতে গঢ় লৈ উঠা সংগঠনকেইটাই। কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ ৰাজনৈতিক দল ৰাইজৰ দলে নামনি অসমত বিজেপিক লাভান্বিত কৰিবলৈ মাইনৰিটি বেল্টত প্ৰচাৰ চলাই ২০২৬ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ সমানে সমানে প্ৰাৰ্থী থিয় কৰাবলৈ ব্লুপ্ৰিন্ট ৰচাৰ অভিযোগৰ মাজতে আজি অখিল গগৈৰ উপস্থিতিত চাৰিটা সংগঠনৰ এই জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। অখিল গগৈয়ে বিজেপিক সহায় কৰিবলৈ নামনিত মাইনৰিটি ভোটক বিভাজিত কৰি ৰাজনীতি কৰিব খোজাৰ অভিযোগৰ মাজতে ততাতৈয়াকৈ এই বৈঠক অনুষ্ঠিত কৰি উত্থাপিত অভিযোগক মচিমূৰ কৰি বিষয়টো অন্য দিশে ঢাল খুৱাবলৈ চেষ্টা চলোৱা বুলিও চৰ্চা চলা দেখা গৈছে। শেহতীয়াকৈ ৰাইজৰ দল তথা কৃষক মুক্তি, ছাত্ৰ মুক্তিৰ নেতাসকলে চিণ্ডিকেট, দাম বৃদ্ধি আদি বিষয়ত পূৰ্বৰ দৰে কঠোৰভাৱে মন্তব্য দিয়াৰ পৰা আঁতৰি থকাটো লক্ষণীয় হোৱাৰ সময়তে আজি হঠাতে অখিল গগৈৰ নেতৃত্বত পুনৰ প্ৰতিবাদ কৰিবলৈ সাজু হোৱাৰ ইংগিত দিয়ে কৃষক মুক্তি, ছাত্ৰ মুক্তিয়ে। উজনিৰ পৰিৱৰ্তে নামনিত নৈশাযাপন কৰি চাৰি-পাঁচদিনলৈ ঘূৰি-ফুৰি প্ৰচাৰ চলাই আহিয়েই অখিল গগৈয়ে কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, নাৰী মুক্তি সংগ্ৰাম সমিতি আৰু চাহ মুক্তি সংগ্ৰাম সমিতিৰ বৈঠক পাতে। এই বৈঠকত সকলো নেতা উপস্থিত থাকে যদিও সৰ্বেসৰ্বা আছিল অখিল গগৈ। ভাষণ দিয়াৰ পৰা আৰম্ভ কৰি মিডিয়াত মন্তব্য ৰখালৈ সকলো দায়িত্ব পালন কৰিছিল অখিল গগৈয়ে। গগৈয়ে পুৱণি হৈ পৰা তথা ৰাজনীতিৰ চোক নোহোৱা বিষয় এটাক লৈয়ে পুনৰ উজনিৰ ৰাইজৰ ওচৰলৈ যাব খোজা পৰিলক্ষিত হৈছে। এটা দশক পূৰ্বৰ নদীবান্ধ বিৰোধী আন্দোলনক জীৱিত কৰি নামনিত বিজেপিক লাভৱান কৰিব খোজা মাইনৰিটি বিভাজনৰ ৰাজনীতিৰ পিছত উজনিৰ নদীবান্ধ বিৰোধী আন্দোলনেৰে ৰাজনৈতিক ক্ষেত্ৰখনত ভাৰসাম্য অক্ষুন্ন ৰাখিবলৈ যত্নপৰ হৈ পৰিছে অখিল গগৈ। এই উদ্দেশ্য আগত ৰাখিয়েই গগৈয়ে অৰুণাচলত নতুনকৈ ১৩৫টা নদীবান্ধ নিৰ্মাণৰ জৰিয়তে অসমখনক ধ্বংস কৰাৰ যি পৰিকল্পনা কৰা হৈছে সেই পৰিকল্পনাৰ বিৰুদ্ধে পৰিকল্পিত আৰু ব্যাপক ৰূপত গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই, স্মাৰ্ট মিটাৰ পৰিহাৰ, অৰুণাচলত নতুনকৈ নিৰ্মাণ হ'বলগীয়া নদীবান্ধ বন্ধ কৰাৰ দাবীতো প্ৰতিবাদ কৰি যোৱাৰ সংকল্প লয় অখিল গগৈয়ে। অখিল গগৈয়ে বৈঠকত পাঁচটা সিদ্ধান্ত লোৱা বুলি উল্লেখ কৰে। প্ৰথমটো হৈছে স্মাৰ্ট মিটাৰ বিৰোধী আন্দোলন অধিক শক্তিশালী আৰু সংঘবদ্ধ কৰিবলৈ সিদ্ধান্ত লয়। এই আন্দোলনক গণমুখী কৰিব খোজা হৈছে। দ্বিতীয়তে অৰুণাচলত নতুনকৈ ১৩৫টা নদীবান্ধ বন্ধাই অসমখনক ধ্বংস কৰাৰ যি পৰিকল্পনা কৰা হৈছে সেই পৰিকল্পনাৰ বিৰুদ্ধে এটা সংগঠিত, পৰিকল্পিত আৰু ব্যাপক ৰূপত গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তৃতীয়তে অসম চৰকাৰে মাইক্ৰ'ফাইনেন্সৰ যি ঋণ ৰেহাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি পূৰণ নকৰাত প্ৰতিবাদ কৰাৰ সংকল্প লয়। অখিল গগৈয়ে কয় যে মুখ্যমন্ত্ৰীয়ে মাইক্ৰ'ফাইনেন্সৰ এশ শতাংশই ঋণ ৰেহাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। এতিয়া দেখা গৈছে যে কেৱল ২৫ হাজাৰ টকাহে ৰেহাই দিয়া হৈছে। চৰকাৰে কৈছিল ১২,৫০০ কোটি টকাৰ ঋণ ৰেহাই দিব। এতিয়ালৈ এহেজাৰ কোটি টকাৰহে ঋণ ৰেহাই দিয়া হৈছে। ১১ হাজাৰ কোটি টকাৰ ঋণ ৰেহাই দিবলৈ বাকী আছে। মহিলাসকলৰ ওপৰত মাইক্ৰ'ফাইনেন্সে উপদ্ৰৱ আৰম্ভ কৰিছে। মাইক্ৰ'ফাইনেন্সৰ ঋণ সম্পূৰ্ণৰূপে ৰেহাই দি ফাইনেন্সৰ মানুহে যাতে ঘৰলৈ আহি মহিলাসকলক অযথা হাৰাশাস্তি কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা কৰিবলৈ দাবী জনাই আন্দোলন কৰাৰ কথা ঘোষণা কৰিছে অখিল গগৈয়ে। চতুৰ্থতে, বসুন্ধৰা আঁচনিযোগে প্ৰকৃত খিলঞ্জীয়াসকলক অধিকাৰ প্ৰদান কৰা হোৱা নাই বুলি দাবী কৰি খিলঞ্জীয়াক মাটিৰ অধিকাৰ দিবলৈ দাবী জনাই আন্দোলন কৰি যোৱাৰ ঘোষণা কৰিছে অখিল গগৈয়ে। গগৈয়ে বসুন্ধৰা আঁচনিযোগে খিলঞ্জীয়াৰ ভূমি অধিকাৰ কাঢ়ি লোৱা হৈছে বুলি সদৰী কৰে। যদি কোনো খিলঞ্জীয়া, ভূমিপুত্ৰৰ ৫০ বিঘা মাটি আছে, তেন্তে এক বিঘা মাটিৰহে পট্টা দিয়া হৈছে। এক বিঘা বস্তিৰ মাটি, এক বিঘা ঘৰৰ মাটি আৰু ৭ বিঘা খেতিৰ মাটিৰ পট্টা দিবলৈ লোৱা প্ৰস্তাৱক তীব্ৰ সমালোচনা কৰিছে অখিল গগৈয়ে। অসমৰ খিলঞ্জীয়া মুছলমানক মাটিৰ পট্টা দিয়া হোৱা নাই। বাকীবোৰ মুছলমানক অত্যাচাৰ কৰিছে। খিলঞ্জীয়াৰ দখলত থকা সকলো ভোগ দখলৰ মাটিৰ পট্টা দিয়াৰ দাবী জনাই অখিল গগৈয়ে প্ৰতিবাদ কৰিব বুলি ঘোষণা কৰে। 'কা'ৰ জৰিয়তে বিদেশী সংস্থাপন কৰিব খোজা হয় তেন্তে বিদেশী সংস্থাপন ৰোধ কৰিবলৈ প্ৰতিবাদ গঢ়ি তুলিবলৈ পঞ্চমটো সিদ্ধান্ত লয় গগৈয়ে। নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ পৰা বিদ্যুৎ উৎপন্ন কৰিব খোজা কাৰ্যৰ বিৰোধ কৰি গগৈয়ে এই প্ৰকল্পটো ভাঙি পেলাবলৈ দাবী জনায়। অন্যথা উত্তৰ অসম ধ্বংস হৈ যাব বুলিও কয় শিৱসাগৰৰ বিধায়কগৰাকীয়ে। কৃষকৰ বাবে পথাৰত জলসিঞ্চনৰ পৰ্যাপ্ত ব্যৱস্থা কৰিবলৈকো চৰকাৰক দাবী জনাইছে আজি অনুষ্ঠিত কৃষক মুক্তিসহ আন ভাতৃ সংগঠনকেইটাৰ এই কেন্দ্ৰীয় বৰ্ধিত কাৰ্যনিৰ্বাহক সভাই।

# ৰঙিয়াৰ কেমব্ৰিজ পাব্লিক স্কুলত 'ভাষা গৌৰৱ সপ্তাহ' পালন

ই-সংবাদ, ৰঙিয়া, ৭ নৱেম্বৰঃ ৰঙিয়াৰ কেমব্ৰিজ পাব্লিক স্কুলত আজি ভাষা গৌৰৱ সপ্তাহ উপলক্ষে একাধিক কাৰ্যসূচী অনুষ্ঠিত হয়। ৩ নৱেম্বৰৰ পৰা ৭ নৱেম্বৰলৈ সপ্তাহযোৱাকৈ ৰূপায়ণ কৰি অহা কাৰ্যসূচীৰ অংশ হিচাবে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ ,আকস্মিক বক্তৃতা ,থলুৱা বাদ্য বাদন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত সভাত অসমীয়া ভাষাৰ উত্তৰণৰ ক্ষেত্ৰত অনবদ্য বৰঙণি আগবঢ়াই অহা মনিষীসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়।বিদ্যালয়ৰ অধ্যক্ষা বিনীতা ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সভাত পৰিচালন সঞ্চালক ৰমণী ৰাজবংশী উপস্থিত থাকি ভাষা



গৌৰৱ সপ্তাহ পালনৰ তাৎপৰ্য ব্যাখ্যা কৰে। ভাষণ প্ৰসংগত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। কাৰ্যসূচীত উপাধ্যক্ষ মাচুম জিএাৰ লগতে সমাজ কল্যাণ বিষয়া মহেন্দ্ৰ কলিতা আৰু কৰ্মচাৰী পল্লৱ দে'কে ধৰি একাধিক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাহিত্য সভাক সাহিত্যিকৰ সভা কৰি

গোটেই জীৱনটো কৰি আহিছো, সেই শ্ৰদ্ধা, সেই ভাব ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিলে।” তেওঁ কয় যে, মুকলিকৈ ক'বলৈ গ'লে এতিয়া সাহিত্য সভাৰ কেৱল কোনো এটা বিষয়বাব লোৱাৰ বিভিন্ন প্ৰকাৰৰ যত্ন, অসাধু যত্ন বুলিয়েই ক'ব পাৰি আৰু বিভিন্ন প্ৰকাৰে সাহিত্য সভাৰ কিছু মুষ্টিমেয় মানুহৰ যি ক'ৰবাত দুই-এটা লিখিলেও যাৰ নাম অসমীয়া সাহিত্যৰ বুৰঞ্জীত ক'তো পাবলৈ নাথাকিব, তেনেকুৱা মানুহৰ এইখন যুঁজৰ থলী হৈ উঠিছে লাহে লাহে। মই সাহিত্য সভাৰ বিষয়ত ক'তো মাত মতা নাই। কাৰণ মই ভাবিছো যিখন সাহিত্য সভাত মই আছিলো, সেইখন সাহিত্য সভা শতিকাৰ শেষতে, এই শতিকাৰ প্ৰথম আৰম্ভণিৰ কিছুদিনৰ পিছতেই সেই সাহিত্য সভাখন আৰু নাই। নামবোৰ নকওঁ, নামবোৰ মানুহে নিজেই গম পাব। কাৰ দিনত সাহিত্য সভা, কোন কোন মানুহৰ দিনত সাহিত্য সভা লাহে লাহে অসাহিত্যিকৰ, একপ্ৰকাৰ ক'বলৈ গ'লে কোনো সাহিত্যিক বৰঙণি নথকা মানুহৰ এখন যুঁজৰ থলী হৈ উঠিছে। এইটো সমগ্ৰ জাতিটোৰ কাৰণে বৰ দুৰ্ভাগ্যৰ ঘটনা। যেতিয়া সাহিত্য সভাৰ সভাপতি হ'বৰ কাৰণে এসময়ত নাম প্ৰস্তাৱ কৰি অনুৰোধ কৰা হৈছিল, সেই অনুৰোধ ৰক্ষা কৰিহে সভাপতিসকলে তেওঁলোকৰ সন্মতি প্ৰকাশ কৰিছিল। তাৰপিছত যেতিয়া নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হ'ল বেলেগ ধৰণেৰে তেতিয়াও মই নিজেও সাহিত্য সভাৰ সহকাৰী সম্পাদক হৈ অছিলো বহুদিন, সভাপতি হৈও আছিলো, বিভিন্ন প্ৰকাৰৰ দায়িত্বত আছিলো। সাহিত্য সভাৰ নিৰ্বাচনত যেতিয়া নাম পঠিওৱা হয়, পাঁচজন মানুহৰ কোনেও নাজানে, আনকি কাৰ্যনিৰ্বাহক সমিতিৰ মানুহখিনিয়েও কাৰো কথা ক'তো নুলিয়াই, সেইটো পাপ বুলি ভাবে উলিওৱাটো। আৰু শাখাবিলাকলৈ সেইনাম পঠিওৱা হয়, লিখা হয় যে এই নামবিলাক যাতে ক'তো প্ৰচাৰ নহয়। কেৱল ভোটদানৰ পিছত যেতিয়া ফল ওলাব তেতিয়া কেৱল নিৰ্বাচিত মানুহজনৰহে নাম প্ৰকাশ কৰা হ'ব, বাকী কাৰো নাম প্ৰকাশ কৰা নহয়। সেই কাৰণে সাহিত্য সভাৰ যিটো স্থিতি সেইটো ৰক্ষা পৰি আছিল। তাৰ সাহিত্যিক মৰ্যাদা আছিল আৰু সৰ্বসাধাৰণৰ মাজতো সাহিত্য সভাৰ প্ৰতি যিটো শ্ৰদ্ধা সেই শ্ৰদ্ধাও অটুট হৈ আছিল। কিন্তু একবিংশ শতিকাত সাহিত্য সভাৰ সেই চৰিত্ৰ নাই। এইবাৰতো মই শুনি আচৰিত, এখন সমিতি কৰি দিলে যিখন সমিতিত থকা মানুহেই আনৰ নাম নিদি নিজৰ নাম তাত ভৰাই দিছে। ইয়াত সাহিত্য সভাৰ যিটো সন্মান সেইটো হানি হোৱাৰ বেলেগ আৰু কি ঘটনা ঘটিব পাৰে। যদি প্ৰকৃত সাহিত্যিকক মাতি অনা নহয়, সাহিত্য সভাৰ কাৰ্যবাহী সমিতিখন প্ৰকৃত সাহিত্যিকৰ সভা নহয়, তেন্তে মই ভাবো যে সাহিত্য সভাই ইয়াৰ পুৰণি মৰ্যাদা ঘূৰাই নাপাব। আৰু ই এটা কিছু ক্ষমতালোভীৰ, সন্মানলোভী মানুহৰ যুঁজৰ পথাৰ হৈ উঠিব। এইটো আমাৰ গোটেই জাতিটোৰ কাৰণে অত্যন্ত দুৰ্ভাগ্যৰ কথা। মই সেইকাৰণে মাত মাতিব নোখোজো। মই কেৱল মনৰ বেদনাহে প্ৰকাশ কৰিছো। অসম সাহিত্য সভাক সাহিত্যিকৰ সভা কৰি ৰাখিব লাগিব বুলিও সভাৰ প্ৰাক্তন সভাপতি তথা সাহিত্যিকগৰাকীয়ে মত প্ৰকাশ কৰে। উল্লেখ্য যে বিগত বৰ্ষতো সভাক লৈ বিতৰ্ক হৈছিল।

৮নং পৃষ্ঠাৰ পৰা...

# গোহালিৰ গৰুৰ সুৰক্ষা বিচাৰি ডিমৌত

৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী সকলে হাতে হাতে প্লে-কাৰ্ড, বেনাৰ লৈ গৰু চুৰি ৰোধ কৰক, গৰু চুৰি চক্ৰৰে মিতিৰালি বন্ধ কৰক, চোৰাং গৰু সৰবৰাহ বন্ধ কৰক আদি শ্লোগান উত্তাল কৰে ৰাষ্ট্ৰীয় ঘাইপথ। কাৰ্যসূচীত অংশগ্ৰহণ কৰি আটাছুৰ ডিমৌ আঞ্চলিকৰ মূখ্য উপদেষ্টা সুমিত কুমাৰ সন্দিকৈয়ে কয় যে "উজনি অসমৰ প্ৰসিদ্ধ ৰাজমাই সাপ্তাহিক পশু বজাৰৰ ছিণ্ডিকেটৰ ধন অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ বিশেষ সাহায্য পুঁজিলৈ যায়। যাৰবাবে তেওঁলোকে গৰু ছিণ্ডিকেট চক্ৰ উৎখাত কৰিব বিচৰা নাই। বিজেপি চৰকাৰখনে গো-মাতা পূজা কৰে। অথচ সেই গো-মাতা পূজা কৰা চৰকাৰখনে গৰু ছিণ্ডিকেট চক্ৰ বন্ধ কৰাৰ ক্ষেত্ৰত চুড়ান্তভাৱে ব্যৰ্থ হৈছে।” নেতাজনে লগতে আৰু কয় যে ২৮ অক্টোবৰত ডিমৌৰ ভিতৰুৱা গ্ৰামাঞ্চলৰপৰা ১৬ টাকৈ গৰু চুৰি হৈছিল। কিন্তু আজিলৈকে আৰক্ষীয়ে গৰু চোৰক আটক কৰিব নোৱাৰিলে। সাপ্তাহিক পশু বজাৰখন শিৱসাগৰ জিলা পৰিষদে চলাই আছে যদিও বজাৰখনত চলি থকা ছিণ্ডিকেটৰ ধন জিলা পৰিষদেও লাভ কৰে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। গণবিক্ষোভ কাৰ্যসূচীত উপস্থিত থাকি অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সভাপতি যাদৱ গগৈয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সাধাৰণ জনতাক নিৰাপত্তা দিব পৰা নাই। মুখ্যমন্ত্ৰীজনে উপ-নিৰ্বাচনক লৈ ব্যস্ত হৈ পৰিছে। কিন্তু ৰাজমাই সাপ্তাহিক পশু বজাৰখনত বছৰ বছৰ ধৰি ছিণ্ডিকেট চক্ৰ চলি আছে। নেতাজনে ৰাজমাই সাপ্তাহিক পশু বজাৰৰ ছিণ্ডিকেট চক্ৰ তথা গৰুৰ বেচা কিনা অনতিপলমে বন্ধ কৰক।" কাৰ্যসূচীত অংশগ্ৰহণ কৰি চাহ জনজাতি ছাত্ৰ সন্থাৰ বিশ্ব নাগে কংগ্ৰেছ চৰকাৰৰ দিনৰে পৰা গৰুৰ চোৰাং সৰবৰাহ তথা চিণ্ডিকেট চলি আহিছে যদিও বিজেপি চৰকাৰৰ দিনত এই চিণ্ডিকেট দুগুণে বৃদ্ধি হোৱা বুলি ক্ষোভ প্ৰকাশ কৰে। লক্ষ্যণীয় যে ডিমৌ সমষ্টিৰ কেইবা ঠাইৰ পৰা একেদিনাই কুৰিটাৰো অধিক গৰু চুৰি হয় যোৱা অক্টোবৰ মাহত। এই সন্দৰ্ভত আৰক্ষীক লিখিতভাৱে অৱগত কৰিছে গো-পালকসকলে। অথচ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব পৰা নাই চুৰি চক্ৰক। চোৰাং গৰু সৰবৰাহ কৰা কেইবাখনো বিলাসী গাড়ী আৰক্ষীয়ে ডিমৌ থানা, শিৱসাগৰ চেৰেকাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত এলেকাৰ পৰা জব্দ কৰিছে। কিন্তু ইয়াৰ পিছতো চোৰাং তথা অবৈধ গৰু সৰবৰাহ কৰা গাড়ীৰ মালিক, চালক তথা চোৰ কেইটাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নোহোৱাত ৰহস্যৰ সৃষ্টি হৈছে। চোৰাং গৰু সৰবৰাহ চক্ৰৰ সৈতে আৰক্ষীৰ মিতিৰালি আছে নেকি বুলিও আজি প্ৰতিবাদ স্থলীত একাংশ ভুক্তভোগী পৰিয়ালে প্ৰশ্ন কৰে। কেৱল ইমানেই নহয়, গোহালিৰ গৰু হাল হেৰুৱাই উপায়বিহীন হৈ পৰা পানীদিহিং মৌজাৰ সোণাপুৰ গাঁৱৰ প্ৰভা হাজৰিকাই কান্দুনত ভাগি পৰে। প্ৰতিবাদস্থলীত শিৱসাগৰ জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক ময়িদুল ইছলাম, ডিমৌ ৰাজহ চক্ৰ বিষয়া প্ৰীতম দাস, ডিমৌ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। অতিৰিক্ত আৰক্ষী অধীক্ষকৰ হাতত ছয়টা সংগঠনৰ প্ৰতিনিধিয়ে স্বাক্ষৰ কৰা স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰৰ জৰিয়তে নিতাইপানীদিহিং আৰু ডিমৌ অঞ্চলত দৰিদ্ৰ কৃষকৰ গৰু-ম'হ চুৰি চক্ৰৰ লগত জড়িত দোষীক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনায়। ইয়াৰ অন্যথা গণতান্ত্ৰিকভাৱে ব্যাপক ৰূপত পুনৰ আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি সকীয়াই দিয়ে। এতিয়া ৰাইজৰ এই প্ৰতিবাদক প্ৰশাসনে কিদৰে লয় সেয়া লক্ষণীয় হ'ব।

# গোলকগঞ্জত দুই চোৰক ধৰি আৰক্ষীক গতালে ৰাইজে

**ই-সংবাদ, গোলকগঞ্জ, ৭ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত দুই স্থানত আজি দুটাকৈ চোৰ ৰাইজৰ হাতত আটক হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আজি পুৱতি নিশা ছাগলীয়া আছামমোড়ৰ নিৰঞ্জন ঘোষৰ ৰাইচ মিলৰ যন্ত্ৰাংশ এজনে চুৰি কৰি থকা অৱস্থাত স্থানীয় ৰাইজে হাতে-লোটে আটক কৰে। ৰাইজে চোৰটোক বিদ্যুতৰ খুঁটাত বান্ধি উত্তম মাধ্যম সোধাই ছাগলীয়া আৰক্ষীক গতাই দিয়ে। চোৰটো কাষৰীয়া পশ্চিমবংগৰ বক্সিৰহাট থানাৰ বালাকুটিৰ কাদেৰ সেখৰ পুত্ৰ মকবুল সেখ। দীৰ্ঘদিনৰ পৰা মকবুলে চুৰি কৰি অঞ্চলটোৰ ৰাইজৰ নিদ্ৰাহৰণ কৰিছে। আনহাতে, দুপৰীয়া গোলকগঞ্জ বজাৰতো ৰাইজৰ হাতত আটক হয় আন এজন জেপ লুৰুকা। আজি গোলকগঞ্জত সাপ্তাহিক বজাৰ। বজাৰ বাবেই তাত ৰাইজৰ যথেষ্ট সমাগম হয় আৰ ইয়াৰ সুযোগ লৈ এজনে লোক এজনৰ জেপৰ পৰা টকা সৰকাই থকা অৱস্থাত ৰাইজে আটক কৰে। উপস্থিত ৰাইজে ক্ষুব্ধ হৈ চোৰটোক প্ৰহাৰ কৰে। ৰাইজৰ কোবত লেবেজান হৈ পৰা চোৰটোক গোলকগঞ্জ আৰক্ষীয়ে উদ্ধাৰ কৰি থানালৈ আনে। আটকাধীন চোৰটো গৌৰীপুৰ চাৰি ৱাৰ্ডৰ ৰতন ৰায়। তেওঁৰ আচল ঘৰ গৌৰীপুৰ থানাৰ দাৰচৌকাত। দুয়োকে আৰক্ষীয়ে আদালতত হাজিৰ কৰি জে'ললৈ প্ৰেৰণ কৰে।



গছ কটাৰ বিৰুদ্ধে যোৰহাটত আছুৰ প্ৰতিবাদ

# দিখৌ নৈত গা ধুবলৈ গৈ এজনৰ সলিল সমাধি

**ই-সংবাদ, নাজিৰা, ৭ নৱেম্বৰঃ** নাজিৰা আমোলাপট্টিৰ দিখৌ নদীৰ ঘাটত গা ধুবলৈ গৈ এজন লোকৰ সলিল সমাধি ঘটে। জানিব পৰা মতে নাজিৰা নগৰৰ ৮ নং ৱাৰ্ডৰ নিবাসী কৃষ্ণ চাহু (৫৮) নামৰ লোকজনে আন দিনাৰ দৰে কালি বিয়লি প্ৰায় ২ বজাত ঘৰৰ সমীপৰ দিখৌ নদীৰ ঘাটত গা ধুবলৈ যোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ আছিল। পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰি নদীৰ ঘাটত কাপোৰ আৰু চেণ্ডেলযোৰ পাই নদীত সন্ধানহীন হোৱা বুলি ধাৰণা কৰি নাজিৰা আদৰ্শ আৰক্ষী থানাত অৱগত কৰে। নাজিৰাৰ আৰক্ষীয়ে লগে লগে এছ ডি আৰ এফ বিভাগক জনোৱাত বিষয়া-জোৱানে অনুসন্ধান অব্যাহত ৰাখে। আজি বিয়লি ভাগত নদীৰ ঘাটৰ পৰা প্ৰায় এক কিলোমিটাৰ নিলগত দিখৌৰ বুকুত এছ ডি আৰ এফ জোৱানে অভিযান চলোৱাত মৃতদেহটো ওপঙি অহাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পৰিয়ালৰ লোকে মৃতদেহটো কৃষ্ণ চাহুৰ বুলি চিনাক্ত কৰাত আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে জয়সাগৰস্থিত শিৱসাগৰ জিলা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

## ইঞ্জিনীয়াৰ ৰছিদৰ ভাতৃৰ বেনাৰক লৈ তুমুল হুলস্থুল

# ৩৭০ক লৈ উত্তপ্ত কাশ্মীৰ বিধানসভা

শ্ৰীনগৰ, ৭ নৱেম্বৰঃ পুনৰ এবাৰ উত্তেজনাপূৰ্ণ হৈ উঠিল জম্মু-কাশ্মীৰৰ বিধানসভা। সদনৰ মজিয়াত শাসক-বিৰোধীৰ তীব্ৰ হুলস্থুলত স্থগিত ৰাখিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয় সদনৰ চলি থকা অধিৱেশন। দৰাচলতে আজি আৱামী ইত্তেহাদ পাৰ্টিৰ বিধায়ক খুৰশ্বিদ আহমেদ শেখে বিধানসভাৰ মজিয়াত এখন বেনাৰ উত্তোলন কৰি জম্মু-কাশ্মীৰক সংবিধানৰ ৩৭০ ধাৰা ঘুৰাই দিয়াৰ দাবী জনায়। শেষাংশ ৩ পৃষ্ঠাত

# গোহালিৰ গৰুতৰ সুৰক্ষা বিচাৰি ডিমৌত ৰাইজে কঁপালে ৰাজপথ

## গো-মাতাৰ কথা কোৱা বিজেপিৰ দিনত অসহায় কৃষক

**ই-সংবাদ, শিৱসাগৰ, ৭ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ ডিমৌ, নিতাই পানীদিহিং, বেতবাৰী, কোঁৱৰপুৰ আদিকে ধৰি ভিন্ন প্ৰান্তত শ শ গৰু চুৰি হৈছে যদিও নীৰৱ দৰ্শক হৈ আছে আৰক্ষী। আৰক্ষীয়ে চকুমুদা কুলিৰ ভাও ধৰি থকা বাবেই গৰু চুৰি চক্ৰই ওভতগোৰে নাচি বহু সংখ্যক দৰিদ্ৰ তথা পশুপালক পৰিয়াললৈ আৰ্থিক দুৰ্যোগ নমাই আনিছে। সৰ্বসাধাৰণ পৰিয়ালৰ মৰ্মবেদনা উপলব্ধি কৰিব নোৱাৰি গৰু চুৰি চক্ৰক উৎখাত কৰিবলৈ আৰক্ষী তৎপৰ নোহোৱা বাবেই আজি শিৱসাগৰৰ ডিমৌ চহৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথলৈ ওলাই আহে ৰাইজ। আটাছু, অসমীয়া যুৱমঞ্চ, আটছাসহ ছয়টা সংগঠনৰ নেতৃত্বত ভুক্তভোগী পৰিয়ালসহ সৰ্বসাধাৰণ জনতাই ডিমৌৰ শেষাংশ ৩ পৃষ্ঠাত




# ১৬ বছৰত ৬৬ লাখ লোকক জৰুৰী চিকিৎসা সাহায্য প্ৰদান মৃত্যুঞ্জয় ১০৮ এম্বুলেন্সৰ

**গুৱাহাটী, ৭ নৱেম্বৰঃ** যোল্লতা বছৰ অতিক্ৰম কৰিলে ৰাজ্যৰ অন্যতম জৰুৰীকালীন চিকিৎসা সেৱা মৃত্যুঞ্জয় ১০৮ এম্বুলেন্সে। ২০০৮ চনত তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ কাৰ্যকালত আৰম্ভ হোৱা আৰু ই এম আৰ আই হেল্থ চাৰ্ভিচেছৰ দ্বাৰা পৰিচালিত এই এম্বুলেন্স সেৱাই অসম চৰকাৰৰ সহযোগত বিগত ডেৰ দশক ধৰি ৰাজ্যৰ দুৰ্গম এলেকাসমূহৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। উল্লেখযোগ্য যে, বিগত ১৬ বছৰত প্ৰায় ৬৬ লাখ লোকক জৰুৰী চিকিৎসা সাহায্য প্ৰদান কৰিছে মৃত্যুঞ্জয় ১০৮ সেৱাই আৰু ইয়াৰে প্ৰায় ২ লাখ ১২ হাজাৰ লোকৰ জীৱন ৰক্ষা কৰা হৈছে। আনহাতে গৰ্ভাৱস্থাৰ সৈতে জড়িত ২৪,৭৯,৩১৫টা জৰুৰীকালীন সমস্যাৰ প্ৰতি দ্ৰুত সঁহাৰি জনোৱাত সফল হৈছে এই চিকিৎসা সেৱা। তদুপৰি মৃত্যুঞ্জয় ১০৮ সেৱাই যোৱা ১৬ বছৰত ৪,৩৬,৮৮১টা পথ দুৰ্ঘটনা, ২,৪৩,৭৪৮টা হৃদৰোগজনিত সমস্যা আৰু ২,৫৪,২৫৩টা শ্বাস-প্ৰশ্বাসজনিত জৰুৰীকালীন অৱস্থাত চিকিৎসা সাহায্য আগবঢ়াই অসমৰ চিকিৎসা ইতিহাসত এক নজিৰ গঢ়িবলৈ সক্ষম হৈছে। অত্যাধুনিক এম্বুলেন্স আৰু প্ৰশিক্ষিত কৰ্মচাৰীৰ জৰিয়তে অসমত সপ্তাহৰ সাতোদিন চৌব্বিশ ঘণ্টীয়া সেৱা আগবঢ়াই আহিছে মৃত্যুঞ্জয় ১০৮য়ে। ই এম আৰ আই হেল্থ চাৰ্ভিচেছৰ দ্বাৰা পৰিচালিত ৭৯৩ খন স্থল এম্বুলেন্স আৰু ৭ খন নাও এম্বুলেন্সৰ জৰিয়তে ৰাজ্যৰ দুৰ্গম অঞ্চলতো জৰুৰীকালীন চিকিৎসা সেৱা সুলভ কৰি তুলিছে মৃত্যুঞ্জয় ১০৮য়ে। এই কাৰ্যকৰী চিকিৎসা সেৱাৰ ১৬ সংখ্যক বৰ্ষপূতিত অসম চৰকাৰ আৰু ৰাজ্যবাসীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে মৃত্যুঞ্জয় ১০৮ৰ সঞ্চালক কৃষ্ণম ৰাজুৱে। তেওঁ কয়, 'ৰাইজৰ আস্থা আৰু সমৰ্থনে আমাক এই দীঘলীয়া যাত্ৰাত শক্তি প্ৰদান কৰি আহিছে। আমি উন্নত সেৱা আগবঢ়াবলৈ আৰু জৰুৰীকালীন পৰিস্থিতিত মানুহৰ কাষত থিয় দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।" কৃষ্ণম ৰাজুৱে লগতে কয় যে এই মৃত্যুঞ্জয় ১০৮ সেৱাই অসমৰ স্বাস্থ্য খণ্ডত এক গুৰুত্বপূৰ্ণ নজিৰ গঢ়ি তুলিবলৈ সক্ষম হৈছে। ভৱিষ্যতে অধিক ফলপ্ৰসু সেৱা প্ৰদানৰ বাবে কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ আৰু এম্বুলেন্স উন্নীতকৰণৰ পৰিকল্পনাও গ্ৰহণ কৰা হৈছে বুলি জনাইছে মৃত্যুঞ্জয় ১০৮ৰ সঞ্চালকগৰাকীয়ে।

# বিহালীৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দিগন্তক মুকলি সমৰ্থন আটছাৰ

**ই-সংবাদ, ৭ নৱেম্বৰঃ** অৰাজনৈতিক বুলি জহাই ফুৰা জনগোষ্ঠীয় সংগঠনসমূহে লাহে লাহে শাসকীয় দলক সমৰ্থন কৰিবলৈ আৰম্ভ কৰিছে। নিজ জনগোষ্ঠীৰ অধিকাৰৰ আন্দোলন এৰি শাসকীয় পক্ষক সন্তুষ্ট কৰিবলৈ কিছু সিদ্ধান্ত লৈ আহিছে একাংশ জনগোষ্ঠীয় সংগঠনে। তাৰ মাজতে আজি অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাই বিজেপি দলক সমৰ্থন কৰাৰ ঘোষণা কৰিছে। বিহালীৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰক সমৰ্থন কৰাৰ ঘোষণা কৰিছে অসম চাহ জনজাতি ছাত্ৰ সন্থাই। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিগন্ত ঘাটোৱাৰৰ হকে প্ৰচাৰ চলাবলৈ বিহালীত উপস্থিত হোৱাৰ সময়তে আটছাই বিজেপিৰ প্ৰাৰ্থীক সমৰ্থন কৰাৰ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী দুখনকৈ সভাত অংশ লোৱাৰ লগতে ৰোড-শ্ব' কৰে। আজি বিহালীৰ তিনিস্থানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মাৰাথান নিৰ্বাচনী প্ৰচাৰ। প্ৰথমে বিহালী মহাবিদ্যালয়ৰ খেলপথাৰ, জিনজিয়াৰ মহাবীৰ হাইস্কুল খেলপথাৰত অনুষ্ঠিত বিজেপিৰ বিশাল নিৰ্বাচনী সভাত অংশ লৈ দিগন্ত ঘাটোৱাৰৰ হৈ ভোটভিক্ষা কৰে। বিহালীৰ সকলো সমস্যাৰ সমাধান কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি বেদেতী আৰু বৰগাঁওত ইন্টাৰ চিটি ৰে'ল ৰখোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। বনৰীয়া হাতী আৰু গাহৰিৰ সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰে। বিহালীতে ফেব্ৰুৱাৰীৰ ১ তাৰিখে মুখ্যমন্ত্ৰীৰ জন্মদিনত আত্মসহায়ক গোটৰ মহিলাসকলক ১০ হাজাৰ টকা মুকলি কৰি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে মহাবীৰ হাইস্কুলৰ খেলপথাৰৰ পৰা জিনজিয়া চেণ্টাৰলৈকে বিজয় সংকল্প যাত্ৰা কৰে। বিহালী বিজেপিৰ প্ৰাৰ্থীক সমৰ্থন কৰাৰ ঘোষণা কৰি বিশ্বনাথ জিলা আটছাৰ সহকাৰী সম্পাদক বিমল দ্বীপে বিহালী উপ-নিৰ্বাচনত বিজেপি দলে টিকট প্ৰদান কৰাত বিজেপিক ধন্যবাদ জনোৱাৰ লগতে বিহালীৰ আদিবাসী লোকসকলক বিহালী বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰক ভোট দিবলৈ মুকলিকৈ আহ্বান জনায়। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰাক্তন কেন্দ্ৰীয় সহঃ সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰা দিগন্ত ঘাটোৱাৰক বিজেপি প্ৰাৰ্থিত্ব দিয়াত নথৈ আনন্দিত হোৱা বুলি কয় বিমল দ্বীপে। দিগন্ত ঘাটোৱাৰক শুভেচ্ছা জনাই বিহালী সমষ্টি চাহ জনগোষ্ঠী অধ্যুষিত বুলি দাবী কৰে। চিপিআইএমএলে চাহজনগোষ্ঠীৰ লোক লক্ষীকান্ত কুৰ্মীক প্ৰাৰ্থিত্ব প্ৰদান কৰাত শুভেচ্ছা জনোৱাৰ লগতে লগতে চিপিআইএমএলক ধন্যবাদ জ্ঞাপন কৰে। লগতে সংগঠনটোৱে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি বিহালীৰ সমস্যাৰ কথা দৃষ্টিগোচৰ কৰা হ'ব বুলি কয়। আনহাতে, কংগ্ৰেছক সমালোচনা কৰি বিমল দ্বীপে কয় যে কংগ্ৰেছ দলে চাহ জনগোষ্ঠীৰ লোকক প্ৰতাৰণা কৰিছে। কংগ্ৰেছ দলে চাহ জনজাতি অধ্যুষিত অঞ্চলত চাহ জনগোষ্ঠীৰ লোকক প্ৰাৰ্থিত্ব প্ৰদান নকৰিলে। দিগন্ত ঘাটোৱাৰে বিজেপিৰ প্ৰাৰ্থিত্ব লৈ আহিছে, গতিকে আমাৰ নৈতিক অধিকাৰ আছে, অৰাজনৈতিক হৈও ৰাজনৈতিক দলক সমৰ্থন কৰিবলৈ বাধ্য হৈছো বুলি মন্তব্য কৰে সন্থাৰ নেতাগৰাকীয়ে।

## ফটোগ্ৰাফাৰৰ ৰহস্যজনক মৃত্যু!



**ই-সংবাদ, ৭ নৱেম্বৰঃ** গুৱাহাটীত যুৱ ফটোগ্ৰাফাৰ এজনৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। নিতুল নাথ নামৰ ফটোগ্ৰাফাৰজনে আত্মহত্যা কৰা বুলি সন্দেহ কৰা হৈছে। আজি মহানগৰীৰ বামুণীমৈদামৰ অনুৰাধাত ৰে'ল লাইনত উদ্ধাৰ হোৱা এটা মৃতদেহ ফটোগ্ৰাফাৰ নিতুল নাথৰ বুলি চিনাক্ত কৰা হৈছে। নিতুল নাথ পেছাত এগৰাকী ফটোগ্ৰাফাৰ আছিল। মহানগৰীৰ চানমাৰিৰ জ্যোতিনগৰত ঘৰ আছিল নিতুল নাথৰ। আজি পুৱা জ্যোতিনগৰৰ ঘৰৰ পৰা ওলাই আহিছিল। একাংশ লোকে নিতুল নাথে আত্মহত্যা কৰা বুলি সন্দেহ কৰিছে। আনহাতে একাংশই এয়া হত্যাকাণ্ড হ'ব পাৰে বুলিও সন্দেহ কৰি ঘটনাৰ তদন্তৰ দাবী জনাইছে। কিয়নো শৰীৰৰ কিছু অংশত আঘাতৰ চিন আছিল। স্থানীয় ৰাইজে মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ কৰাৰ লগতে তদন্তৰ ব্যৱস্থা কৰিছে।

## আইনী সুৰুঙা! চুমি বৰাৰ দেওৰেক অম্লান বৰাৰ জামিন লাভ

**ই-সংবাদ, ৭ নৱেম্বৰঃ** ৰাজ্য কপোৱা ট্ৰেডিং কেলেংকাৰীত জড়িত ইজনৰ পাছত সিজন খলনায়কে জামিন লাভ কৰিবলৈ আৰম্ভ কৰিছে। আজি চুমি বৰাৰ পৰিয়ালৰ লোকে জামিন লাভ কৰিবলৈ সক্ষম হৈছে। ট্ৰেডিং এফএক্স কোম্পানীৰ দ্বাৰা কোটি কোটি প্ৰৱঞ্চনা কৰা ৰঞ্জিত কাকতিয়ে জামিন লাভৰ এদিন পাছতে ট্ৰেডিং কেলেংকাৰীত জড়িত বুলি অভিযোগ থকা চুমি বৰাৰ দেওৰক জামিন প্ৰদান কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। অম্লান বৰা হৈছে চুমি বৰাৰ স্বামী তাৰ্কিক বৰাৰ ভাতৃ। বিশাল ফুকনৰ ভুৱা ট্ৰেডিং কাণ্ডত চুমি বৰা, স্বামী তাৰ্কিক বৰাৰ সৈতে অম্লান বৰাও জড়িত থকাৰ অভিযোগ উঠিছিল। ডিব্ৰুগড়ত ৰুজু হোৱা গোচৰত অম্লান বৰাৰ নামো আছিল। কিন্তু উচ্চ ন্যায়ালয়ত অম্লান বৰাৰ অধিবক্তাই দাখিল কৰা জামিন আবেদনৰ শুনানিৰ সময়ত চৰকাৰী পক্ষৰ অধিবক্তাৰ ভূমিকাৰ বাবে জামিন লাভ কৰাত তীব্ৰ চৰ্চা হৈছিল। আৰক্ষীয়ে পৰ্যাপ্ত ধাৰা তথা তদন্তত খামখেয়ালি কৰাত এনেদৰে ইজনৰ পিছত সিজন ট্ৰেডিং কেলেংকাৰীৰ খলনায়কে জামিন লাভ কৰাৰ সন্দেহ কৰা হৈছে। জামিন লাভ কৰাত মৃদু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চুমি বৰা, স্বামী তাৰ্কিক বৰা, বিশাল ফুকনৰ সৈতে একেই গোচৰত অম্লান বৰাক গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। অবৈধ ট্ৰেডিং কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ কৰিছিল যদিও তাৰ্কিক বৰাৰ ভাতৃ অম্লান বৰাক গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন মঞ্জুৰ কৰিছে। গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী অম্লান বৰাই আজিয়েই মুকলি আকাশৰ তললৈ আহিব। ৰাজ্য কপোৱা ট্ৰেডিং কেলেংকাৰী অন্যতম অভিযুক্ত ৰঞ্জিত কাকতিক বুধবাৰে জামিন প্ৰদান কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ে। গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা ৰঞ্জিত কাকতিয়ে মুকলি আকাশৰ তললৈ ওলাই আহিছে। চিবিআইয়ে জিম্মাত লোৱা ৰঞ্জিত কাকতিৰ বিৰুদ্ধে জেৰা অব্যাহত আছে। তেনে সময়তে জামিন লাভ কৰিবলৈ সক্ষম হোৱাটো আইনী সুৰুঙা থকা বুলি প্ৰশ্ন উত্থাপন হ'ব ধৰিছে। এনেদৰে জামিন লাভ কৰাটো আৰক্ষী ব্যৰ্থতাকেই সূচাইছে বুলি অভিযোগ উত্থাপন হৈছে। আইনী সুৰুঙাৰে মুকলি আকাশৰ তললৈ আহিছে ইজনৰ পিছত সিজন প্ৰৱঞ্চক। ট্ৰেডিং কেলেংকাৰীত ৮ অভিযুক্তক ২৫ অক্টোবৰত ডিব্ৰুগড় আৰক্ষীয়ে এখন ট্ৰেভেলাৰেৰে গুৱাহাটীলৈ আনিছিল। চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক ডিব্ৰুগড়ৰ পৰাৰ আনি ২৬ এপ্ৰিলত গুৱাহাটীৰ আদালতত হাজিৰ কৰোৱা হৈছিল। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ আলহী হৈ থকা চুমি বৰা, স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভায়েক বিশাল ফুকনসহ ট্ৰেডিং কেলেংকাৰীৰ মুঠ ৮ অভিযুক্ত বন্ধ কুঠৰীত আৱদ্ধ হৈ আছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দক্ষিণ কোৰিয়াৰ প্ৰতিনিধিক উষ্ম আদৰণি

**ই-সংবাদ, ডিব্ৰুগড়, ৭ নৱেম্বৰঃ** দক্ষিণ কোৰিয়াৰ ৱৰ্ল্ড ফ্ৰাগ্ৰামট কৰ্পোৰেচনৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ অহা ৬ জনীয়া এক প্ৰতিনিধি দলক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ ফালৰ পৰা সাদৰ সম্ভাষণ জনোৱা হয়। প্ৰতিনিধি দলটোত আছিল ৱৰ্ল্ড ফ্ৰাগৰামট কৰ্পোৰেচনৰ প্ৰমুখ জিয়ং য়েও, সঞ্চালক ডো চাং, সঞ্চালক ডো মোং, সদস্য হিথুন চেয়ং লী, সচিবপ্ৰধান চো আন লী আৰু চেজংস্থিত প্ৰতিষ্ঠানটোৰ সচিবপ্ৰধান কি চুক লী। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা কাৰ্যালয়ৰ সঞ্চালক প্ৰাধ্যাপক সুৰজিত বৰকটকীয়ে প্ৰতিনিধি দলটোক স্বাগতম জনায় আৰু লগতে কোৰিয়ান ভাষাৰ শিক্ষাৰ জৰিয়তে যে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন অনুষ্ঠানত সংস্থাপন লাভ কৰিব পৰাকৈ যোগ্য হৈ উঠিছে তাৰ বাবে বিষয়ববীয়াসকলক ধন্যবাদ জনায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক ড০ জিতেন হাজৰিকাই প্ৰতিনিধিবৰ্গৰ আগমনত উৎফুল্লিত হৈ কয় যে এনেধৰণৰ প্ৰয়াসে আন্তঃৰাষ্ট্ৰীয় সাংস্কৃতিক আৰু শৈক্ষিক বিনিময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উপাচাৰ্যগৰাকীয়ে ইতিমধ্যে বহু কেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে কোৰিয়ান ভাষাৰ শিক্ষা সমাপ্ত কৰাত তেওঁলোকৰ এই সফলতাত আনন্দ প্ৰকাশ কৰে। বিশেষকৈ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অসমীয়াৰ পৰা কোৰিয়ান ভাষালৈ আৰু কোৰিয়ানৰ পৰা অসমীয়া ভাষাত ব্যুৎপত্তি লাভ কৰাত তেওঁলোক ভৱিষ্যতে নিয়োগৰ সুযোগ লাভ কৰাৰ থল আছে বুলিও তেওঁ কয়। উল্লেখ্য যে ৱৰ্ল্ড ফ্ৰাগ্ৰান্ট কৰ্পোৰেচনে ইতিমধ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কোৰিয়ান ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰিছে। এই প্ৰয়াসে কোৰিয়ান ভাষা আৰু সংস্কৃতিৰ প্ৰতি ভাৰতীয় ছাত্ৰৰ অনুৰাগ বৃদ্ধি কৰাৰ লগতে ভিন্ন ভাষিক আৰু সাংস্কৃতিক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগিতামূলক দায়বদ্ধতাক প্ৰতিনিধিত্ব কৰে। মন কৰিবলগীয়া যে World Fragrant Cooperationৰ মুখ্য বিষয়াগৰাকীয়ে ১,০০০ মাৰ্কিন ডলাৰৰ এক জলপানি কোৰিয়ান ভাষাৰ শিক্ষা প্ৰদানৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ অনুদান আগবঢ়াইছে। এই প্ৰয়াসে কোৰিয়ান ভাষাৰ শিক্ষাগ্ৰহণত অধিক ছাত্ৰক আকৰ্ষিত আৰু অনুপ্ৰাণিত কৰিব বুলি আশা কৰা গৈছে। মুখ্য বিষয়াজনে নিজে আঁকা কিছুমান কলাকৃতিও উপস্থিতসকলৰ মাজত বিতৰণ কৰে। কোৰিয়ান ভাষা পাঠ্যক্ৰমত নামভৰ্তি কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এক শিক্ষাৰ্থীৰ দলে শৈক্ষিক বিনিময়ৰ অংশ হিচাপে কোৰিয়া ভ্ৰমণৰ সুযোগ লাভ কৰিব।

### ছিদলীত প্ৰচাৰ চলাই ইউপিপিএলক কটাক্ষ হাগ্ৰামা মহিলাৰীৰ

# ‘বিটিআৰত মুখ্যমন্ত্ৰীয়ে গাখীৰ নিদিয়া গৰু পুহি আছে’

**ই-সংবাদ, কোকৰাঝাৰ, ৭ নৱেম্বৰঃ** ৫ সমষ্টিৰ উপ-নিৰ্বাচনলৈ আৰু মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত উক্ত সমষ্টিকেইটাৰ আটাইকেইটাতে এতিয়া নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। ইউপিপিএল দলে বিশাল বিশাল নিৰ্বাচনী সভা অনুষ্ঠিত কৰাৰ বিপৰীতে বিপিএফ দলে সৰু সৰু নিৰ্বাচনী সভা অনুষ্ঠিত কৰি নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ সপোন দেখিছে। চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত কোকৰাঝাৰ জিলাৰ ছালাকাটি কুৰ্শাকাটিৰ চম্পানগৰ মিলন এমই স্কুলৰ খেলপথাৰত আজি বিপিএফৰ প্ৰাৰ্থী শুদ্ধ বসুমতাৰীৰ সমৰ্থনত অনুষ্ঠিত হোৱা এক নিৰ্বাচনী প্ৰচাৰ সভাত বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে অংশগ্ৰহণ কৰি চিদলী সমষ্টিৰ উপ নিৰ্বাচনত বিপিএফৰ প্ৰাৰ্থী শুদ্ধ বসুমতাৰীৰ বিজয় নিশ্চিত বুলি দাবী কৰিছে। প্ৰমোদ বড়োৱে যদি আমাৰ কৰ্মীসকলক আৰক্ষী লগাই হাৰাশাস্তি নকৰে তেতিয়াহ’লে আমি এশ শতাংশই জিকিম বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰীয়ে কয় যে নিৰ্বাচনৰ দুই তিনিদিন আগে আগে আমাৰ বিপিএফ কৰ্মীসকলৰ ওপৰত আৰক্ষী প্ৰশাসনে গোচৰ জাপি দি পলাবলৈ বাধ্য কৰে। আমাৰ দলৰ কৰ্মীসকলক পলাবলৈ দি প্ৰমোদ বড়োৰ ইউপিপিএল দলে গাঁৱে গাঁৱে সোমাই ভোটাৰসকলক ভোট দিবলৈ বাধ্য কৰায়। প্ৰমোদ বড়োৰ ইউপিপিএল দলে এনেকৈয়ে নিৰ্বাচন জিকি আহিছে বুলি মন্তব্য কৰি মুক্ত আৰু নিকা নিৰ্বাচন হ’লে ইউপিপিএল দল নিজিকে বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। আনহাতে যোৱা ৬ নৱেম্বৰত মুখ্যমন্ত্ৰীয়ে চিদলী সমষ্টিত ইউপিপিএল তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ হৈ নিৰ্বাচনী চলোৱাত বিপিএফ দলত কিবা প্ৰভাৱ পেলাব নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নোত্তোৰত হাগ্ৰামা মহিলাৰীয়ে কয় যে মিত্ৰজোঁটৰ হৈ মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহিবই, এয়া স্বাভাৱিক। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলালেও চিদলী সমষ্টিৰ উপ-নিৰ্বাচনত একো প্ৰভাৱ নপৰে বুলি দাবী কৰি কৰে মহিলাৰীয়ে। বিপিএফ আৰু ইউপিপিএলৰ মিত্ৰতা হ’ব নেকি বুলি সোধা আন এক প্ৰশ্নোত্তোৰত বিপিএফ আৰু ইউপিপিএলৰ মিত্ৰতা হোৱাতো এক নাটকৰ বাহিৰে আন একো নহয় বুলি মন্তব্য কৰি মহিলাৰীয়ে কয় যে ইউপিপিএল দলে চৰকাৰৰ সতে থাকি বিজেপিক আউট কৰিবলৈ বিপিএফৰ সতে আলোচনা কৰে। এয়া নাটক নহয়নো কি বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰীয়ে কয় যে সঁচা অৰ্থত যদি মিত্ৰতা কৰিবলৈ মন আছে তেনেহলে ইউপিপিএল দল প্ৰথমে চৰকাৰৰ পৰা ওলাই আহক, পিছত বিপিএফৰ সতে মিত্ৰতাৰ কথা কওঁক। ইপিনে হাগ্ৰামা মহিলাৰীৰ বিপিএফ দলক উদ্দেশ্যি নিৰ্বাচনী প্ৰচাৰত মুখ্যমন্ত্ৰীয়ে গাখীৰ নিদিয়া গাই পুহি লাভ নাই বুলি কৰা মন্তব্যক লৈ সাংবাদিকে প্ৰতিক্ৰিয়া জানিবলৈ বিচৰাত হাগ্ৰামা মহিলাৰীয়ে কয় যে চাৰে চাৰি বছৰ হ’ল মুখ্যমন্ত্ৰীয়ে কোন গৰুটো পালি আছে? সেই গৰুৰ গাখীৰে নোলায়, চাৰে চাৰি বছৰ ধৰি গাখীৰে ওলোৱা নাই। মুখ্যমন্ত্ৰীৰে ভুল হ’ল, এনে গৰু পালি কিবা লাভ হ’ব নেকি বুলি কটাক্ষ কৰে হাগ্ৰামা মহিলাৰীয়ে। উল্লেখ্য যে আজিৰ এই নিৰ্বাচনী প্ৰচাৰ সভাখনত বিপিএফৰ জ্যেষ্ঠ নেতা, ছালাকাটি সমষ্টিৰ নিৰ্বাচিত সদস্য দেৰহাছাৎ বসুমতাৰীও উপস্থিত আছিল।

# আদৰ্শ কৃষক কমলা নাথৰ জীৱনাৱসান

**ই-সংবাদ, বেবেজীয়া, ৭ নৱেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চমুৱাগাঁৱৰ নিবাসী আদৰ্শ কৃষক, কৰ্মপটু সৰবৰহী ব্যক্তি কমলা নাথৰ বুধবাৰে নিশা জীৱনাৱসান ঘটে। বিগত এসপ্তাহ মানৰ পৰা শাৰীৰিক অসুস্থতাত ভুগি থকা নাথৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৫ বছৰ। নিজৰ কৰ্মৰাজিৰে অঞ্চলবাসীৰ মাজত এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা কৃষক পৰিয়ালৰ সন্তান নাথে কৃষিকাৰ্যত একাত্মভাৱে লাগি থাকি আন বহুজনৰ বাবে আদৰ্শৰ চানেকি দি গৈছে। কিয়নো তেওঁ বছৰৰ প্ৰতিটো ঋতুতেই বিভিন্ন প্ৰকাৰৰ খেতি কৰি সমাজত আদৰ্শ কৃষক হিচাপে চিহ্নিত হৈ পৰিছিল। তেওঁ বছৰ বছৰ ধৰি প্ৰাকৃতিকভাৱে কাছমাৰী পথাৰৰ কৃষিভূমিত কৰা ধান, মাহ, সঁৰিয়হ, মৰাপাট, কুঁহিয়াৰ, ঘেঁহু, নানা তৰহৰ মাহ, আলুকে ধৰি বিভিন্ন প্ৰকাৰৰ শাক-পাচলিৰ খেতিৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। নিজৰ কৃষিভূমিত মনোযোগেৰে খেতিকৰ্ম কৰাৰ সমান্তৰালভাৱে হস্তবিদ্যাত অতি পাৰ্গত আছিল তেওঁ। শৈশৱতে দুৰ্ঘটনাক্ৰমে জুইশালত বাঁওহাতৰ চাৰিটাকৈ আঙুলি খুব বেয়াকৈ দগ্ধ হৈ ঘুণীয়া হৈ পৰা নাথে সেই হাতেৰেই গাঁৱলীয়া জীৱনৰ অপৰিহাৰ্য অংগস্বৰূপ ডলা, চালনি, পাচি, খৰাহীৰ পৰা আৰম্ভ কৰি ডুলি, বিছনি, জাকৈ, খালৈ, টোম, চেপা, লাঙিজাল, জাপি, হালৰ আৰু গৰুৰ বিভিন্ন সামগ্ৰীৰ লগতে শীতলা পাটী, তালপাতৰ নাচনি পুতলা আদি খুব সুন্দৰকৈ নিখুঁতভাৱে সাজি উলিয়াইছিল। এনে কৰ্মৰাজিৰ উপৰি সমাজৰ কামতো আগভাগ লৈ অহা নাথৰ বিয়োগত বৃহত্তৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। অতি সহজ-সৰল আৰু অমায়িক স্বভাৱৰ নাথৰ মৃত্যুত বিভিন্ন জনে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। তেওঁ মৃত্যুৰ সময়ত তিনিজন পুত্ৰ আৰু এগৰাকী কন্যা সন্তানসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# ‘স্মৰণ সাৰস্বত’লৈ লেখা আহ্বান

**ই-সংবাদ, আমগুৰি, ৭ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ এক প্ৰত্যন্ত তথা মোৱামৰীয়া বিদ্ৰোহৰ স্মৃতিসমৃদ্ধ অঞ্চল হিচাপে পৰিগণিত বামুণবাৰীত স্বৰাজোত্তৰ কালৰে পৰাই শিক্ষাৰ সৌৰভ বিলাই অনেক কৃতীবিদ লোকৰ পথিকৃৎ হৈ উঠা ৫৪৮ নং বামুণবাৰী প্ৰাথমিক বিদ্যালয়খনে অহা ২০২৫ চনৰ ১৭, ১৮ আৰু ১৯ জানুৱাৰী মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানটি বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদযাপন কৰাৰ প্ৰস্তুতি চলাইছে। এই মহাৰজত জয়ন্তী বৰ্ষ সামৰণি অনুষ্ঠানটিত প্ৰকাশ হ'বলগীয়া ‘স্মৰণ-সাৰস্বত’ শীৰ্ষক স্মৃতিগ্ৰন্থখনিলৈ অসমৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা সমাজৰ বিভিন্ন স্তৰৰ শুভাকাংক্ষী-শুভানুধ্যায়ীসকলৰ পৰা শৈক্ষিক, সামাজিক, সাংস্কৃতিক, ঐতিহাসিক অথবা স্মৃতিবিজড়িত লেখা অহা ২৫ ডিচেম্বৰৰ ভিতৰত স্মৰণ-সাৰস্বত (স্মৃতিগ্ৰন্থ সম্পাদনা উপ-সমিতি), সম্পাদক গোপাল দুৱৰা, বামুণবাৰী গাঁও, ডাকঘৰ=চিৰাখুণ্ডা(কালুগাঁও), শিৱসাগৰ, অসম-৭৮৫৬৬৬, (ফোন= ৯৩৬৫৪৫৫৭৪৫ / ৮০১১৭৬৫৮৩৪ / ৯৭০৭৭৮৮৪৪৫) এই ঠিকনাত প্ৰেৰণ কৰিবলৈ আয়োজক সমিতিয়ে আহ্বান জনাইছে।



চামগুৰিত মুখ্যমন্ত্ৰী, ফটো বৃহস্পতিবাৰৰ



আহিছে আহিছে হিমন্ত আহিছেঃ বিহালীত উপ নিৰ্বাচনৰ প্ৰচাৰ মুখ্যমন্ত্ৰীৰ

## জৰাজীৰ্ণ পথ মেৰামতিৰ দাবী দল-সংগঠনৰ

# কাণ্ডজ্ঞানহীন হাজো লোক নিৰ্মাণ বিভাগৰ কাৰ্যালয়ৰ সন্মুখত প্ৰকাণ্ড গাঁত

**ই-সংবাদ, হাজো, ৭ নৱেম্বৰঃ** কামৰূপ জিলাৰ তীৰ্থ নগৰী হাজোৰ বিভিন্ন অঞ্চলৰ জৰাজীৰ্ণ পথে জলা-কলা কৰিছে সাধাৰণ পথচাৰীক। জৰাজীৰ্ণ বাট-পথ পুনৰ নিৰ্মাণৰ দাবীত হাজো আঞ্চলিক ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আজি ছাত্ৰ সন্থাৰ এটা দলে হাজো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আফ্ৰিন হুছেইনৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে এখন স্মাৰক পত্ৰ। হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদক স্বাক্ষৰিত স্মাৰক পত্ৰখনত উল্লেখ থকা অনুসৰি জৰাজীৰ্ণ বাট-পথসমূহ মেৰামতি কৰাৰ বাবে পূৰ্বে বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আবেদন-নিবেদন জনোৱাৰ পিছতো কোনো সঁহাৰি দিয়া নাই অসম চৰকাৰৰ বিয়াগোম লোক নিৰ্মাণ বিভাগে। এই সন্দৰ্ভত ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে গভীৰ উদ্বেগ প্ৰকাশ কৰি কয় যে পঞ্চতীৰ্থ খ্যাত তীৰ্থভূমি হাজো হৈছে পৰ্যটকৰ অন্যতম আকৰ্ষণীয় স্থান। নিতৌ হাজাৰৰো অধিক পৰ্যটকৰ আগমণ ঘটে তীৰ্থনগৰী হাজোলৈ। সেয়েহে হাজোৰ মূল পথ আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহৰ বাট-পথসমূহ পুনৰ নিৰ্মাণ কৰাটো নিতান্তই প্ৰয়োজনীয়। বিশেষকৈ হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পৰা কেদাৰ মন্দিৰ সংযোগী পথ, আধিয়াৰপাৰাৰ পৰা বৰ্ণি হৈ কুৰিহা সংযোগী পথ, দামপুৰ-আমদলা সংযোগী পথ, ৰামদিয়া-বঙালটোলা-টোক্ৰাদিয়া সংযোগী পথকে ধৰি মুঠ ২৩টা জৰাজীৰ্ণ পথ পুনৰ নিৰ্মাণৰ বাবে দাবী জনায় ছাত্ৰ সন্থাৰ দলটোৱে। ছাত্ৰ সন্থাৰ দাবী অনুসৰি উক্ত পথসমূহ অতিশীঘ্ৰে পুনৰ নিৰ্মাণ নকৰিলে অনাগত সময়ত ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে ছাত্ৰ সন্থাৰ কৰ্মীসকলে।

# শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ প্ৰস্তুতি

**ই-সংবাদ, বেবেজীয়া, ৭ নৱেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চমুৱাগাঁৱত ১৯৯৮ চনৰ ৪ জানুৱাৰীত বহুকেইজন সমাজহিতৈষী লোকৰ ঐকান্তিক প্ৰচেষ্টাত গঢ়ি উঠিছিল শংকৰদেৱ চিত্ৰকলা বিদ্যালয় । প্ৰতিষ্ঠা কালৰে পৰা বৃহত্তৰ অঞ্চলটোৰ উঠি অহা শিশু, কিশোৰ, কিশোৰীসকলক চিত্ৰকলাৰ লগতে সংগীত আৰু ধ্ৰুপদী নৃত্যৰ শিক্ষা প্ৰদানৰে শিক্ষাৰ্থীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশত বিশেষ ভূমিকা পালন কৰি অহা এই শিক্ষানুষ্ঠানখনে ইতিমধ্যে সগৌৰবে ২৫ টা বৰ্ষ গৰকিবলৈ সক্ষম হৈছে । সেয়ে বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় ৰাইজৰ সহযোগত ইয়াৰ ৰূপালী জয়ন্তী উৎসৱটি উদযাপন কৰাৰ মানসেৰে প্ৰস্তুতিত নামি পৰিছে । সেই উদ্দেশ্যে বিশিষ্ট সমাজকৰ্মী মিহিৰাম ভূঞাৰ পৌৰহিত্যত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয় । বিদ্যালয়ৰ প্ৰধান আচাৰ্য অজিত চন্দ্ৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত উপস্থিত সকলোয়ে ৰূপালী জয়ন্তী উৎসৱটি অনুষ্ঠিত কৰাৰ বাবে সহমত পোষণ কৰাত উৎসৱটি উদযাপনৰ সন্দৰ্ভত বিষদভাবে আলোচনা কৰা হয় । সভাত ৰূপালী জয়ন্তী উৎসৱটি বছৰজোৰা বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদযাপনৰ সিদ্ধান্ত গ্ৰহনেৰে আগন্তুক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি উক্ত দিনটোৰ পৰাই ৰূপালী জয়ন্তী উৎসৱৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি পৰৱৰ্তী বৰ্ষৰ বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত ইয়াৰ সামৰি অনুষ্ঠান অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহন কৰা হয় । তদুপৰি উক্ত বছৰৰ মাজৰ সময়ছোৱাত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰো আন এক সিদ্ধান্ত গ্ৰহন কৰা হয় । উক্ত সভাতে ৰূপালী জয়ন্তী উৎসৱৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ অৰ্থে সৰ্বসন্মতিক্ৰমে এখনি শক্তিশালী উদযাপন সমিতি গঠন কৰা হয় ।

# তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত কৃষক দিৱস আয়োজন

**ই-সংবাদ, তিতাবৰ ৭ নৱেম্বৰঃ** প্ৰাকৃতিক কৃষিৰ জৰিয়তে আমাৰ পুৰণিকলীয়া জাতসমূহৰ সংৰক্ষণ কৰি আমাৰ কৃষি পৰম্পৰাৰ লগতে কৃষি আৰু কৃষকৰ সামগ্ৰিক উত্তৰণৰ দিশত পদক্ষেপ গ্ৰহণ কৰিব লাগিব। বতৰৰ প্ৰতিকুল পৰিস্থিতিৰ লগত খাপ খাব পৰা গুণগত জাতসমূহৰ কৃষিকাৰ্যৰ জৰিয়তে অধিক উপকৃত হ'ব পৰা যায়। জীৱামৃত আৰু বীজামৃতৰ দৰে উপাদানৰ জৰিয়তে খেতি কৰি কৃষিক্ষেত্ৰত পৰিৱৰ্তন আনিব পৰা যাব। যোৰহাটৰ তিতাবৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত কৃষক দিৱসৰ কাৰ্যসূচীত এই মত ব্যক্ত কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাই। গৱেষণা কেন্দ্ৰৰ খেতি ফাৰ্মত অনুষ্ঠিত কাৰ্যসূচীত আদৰণি বক্তব্যত প্ৰতিষ্ঠানৰ মুখ্য বিজ্ঞানী ড০ ফুলেশ্বৰ নাথে অসমৰ কৃষি আৰু কৃষকৰ উন্নয়ন সাধনৰ বাবে তথা সামগ্ৰিকভাৱে ৰাজ্যৰ কৃষি গৱেষণাৰ দিশত তিতাবৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানে গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে আলোকপাত কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি গৱেষণা সঞ্চালক ড০ সঞ্জয় কুমাৰ চেতিয়াই ভাষণত কয় যে অসমৰ খেতিৰ যুগান্তকাৰী পৰিৱৰ্তনৰ দিশত তিতাবৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। বিভিন্ন সময়ত ভিন্ন কৃষি পৰিৱেশৰ জাত উদ্ভাৱন কৰি কৃষি বাণিজ্যৰ প্ৰসাৰৰ দিশত বহু পদক্ষেপ গ্ৰহণ কৰিছে। লগতে সময়ৰ পৰিৱৰ্তনৰ লগত খাপ খোৱাকৈ কৃষিক আগবঢ়াই নি খেতিৰ বিভিন্ন প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰি নতুন নতুন জাত উদ্ভাৱন কৰি পৰিৱৰ্তিত প্ৰযুক্তিৰে সৈতে অসমৰ কৃষিক আগবঢ়াই নিবলৈ আমাৰ এই প্ৰতিষ্ঠানে প্ৰচেষ্টা চলাই আহিছে। অনুষ্ঠানত প্ৰগতিশীল কৃষক ফণী বৰাই বক্তব্য আগবঢ়ায়। দিৱসৰ লগত সংগতি ৰাখি কৃষি আৰু কৃষি উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰে উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাই। অনুষ্ঠানত স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড০ অনুপ কুমাৰ দাস, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড০ মনোৰঞ্জন নেওগ, তিতাবৰ সমজিলাৰ আয়ুক্ত বিপাঞ্চী দত্ত, অসম ধান গৱেষণা প্ৰতিষ্ঠানৰ পূৰ্বৰ মুখ্য বিজ্ঞানী তমিজুদ্দিন আহমেদেও অংশগ্ৰহণ কৰে। দিৱসৰ লগত সংগতি ৰাখি কৃষক আৰু বিজ্ঞানীৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠিত হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপকসকল, গৱেষক- বিজ্ঞানীসকল আৰু তিনি শতাধিক কৃষক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।



বিহালীত বিজেপিৰ বিজয়ৰ বাবে পণ লৈছে মন্ত্ৰী পীযুষ হাজৰিকাই, ফটো বৃহস্পতিবাৰৰ

# ব্যৰ্থ আৰক্ষী! হাজোত মাদক দ্ৰব্যৰ বিৰুদ্ধে মহিলাৰ হাল্লা বোল

**ই-সংবাদ, হাজো, ৭ নৱেম্বৰঃ** তীৰ্থনগৰী হাজো এতিয়া পৰিণত হৈছে অবৈধ সুৰাৰ নগৰীলৈ। নিজ হাজোৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া প্ৰায় প্ৰতিটো অঞ্চলতে অবৈধ দেশী-বিদেশী সুৰাৰ অবাধ প্ৰচলনে বিনষ্ট কৰিছে সামাজিক বাতাবৰণ। যাৰ ফলত সংঘটিত হৈ আহিছে ইটোৰ-পিছত আনটো সৰু-বৰ দুৰ্ঘটনা। কিন্তু ইমানৰ পিছতো নিৰৱ দৰ্শকৰ ভূমিকাত আৰক্ষী প্ৰশাসন তথা ৰাজ্যৰ আবকাৰী বিভাগ। উল্লেখ্য যে তীৰ্থ নগৰী হাজোত যদিও চৰকাৰী অনুজ্ঞাপত্ৰ থকা সুৰাৰ বিপণী নাই তথাপি হাজোৰ অলিয়ে-গলিয়ে থকা পাণ দোকানৰ পৰা গেলামালৰ দোকান সকলোতে দেশী-বিদেশী সুৰা উভৈনদী। দিনৰ পোহৰ, ৰাতিৰ আন্ধাৰত ইখনৰ পিছত সিখন দোকানত সুৰা বিচাৰি ভিৰ কৰে হাজাৰ হাজাৰ লোকে। কিন্তু ইমানৰ পিছতো চকুতেই নপৰে আৰক্ষী তথা প্ৰশাসনৰ। যাৰ বাবে এতিয়া অতিষ্ঠ হৈ পৰিছে প্ৰতিটো অঞ্চলৰ ৰাইজ। ভিন্ন প্ৰান্তৰ চুকে-কোণে এতিয়া সুৰা তথা নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে মহিলাৰ হাল্লাবোল। হাতে-হাতে লাঠী লৈ সুৰাপায়ীৰ বিৰুদ্ধে নিজৰ অঞ্চলবোৰত পহৰা দিয়ে মহিলাসকলে। মহিলাসকলে জব্দ কৰিছে ইখনৰ পিছত আনখন সুৰা ভৰ্তি বাহন। ভাঙি পেলাইছে লক্ষাধিক টকা মূল্যৰ সুৰা। কিন্তু এই সকলো দেখি শুনিও নিৰৱ নিশ্চুপ আৰক্ষী প্ৰসাশন। যোৱা নিশা হাজোৰ প্ৰাণকেন্দ্ৰ পাখামেলা চ'কৰ পৰা কেইমিটাৰ মান নিলগৰ হাজো উ: মা: বিদ্যালয়ৰ সমুখত মহিলাৰ এটা দলে জব্দ কৰে বৃহৎ পৰিমাণৰ দেশীয় সুৰা। ৰণচণ্ডী ৰূপ ধৰা মহিলাসকলৰ ৰূপ দেখি পলাই পত্ৰং দিয়ে সুৰা বেপাৰীসকল। উল্লেখ্য যে কেইবাখনো শিক্ষানুষ্ঠান থকা উক্ত পথছোৱাত নিশা হ'লেই মদ, ভাং, ড্ৰাগছৰ মুকলি বেহা চলে যদিও চকু মুদা কুলিৰ ভাও ধৰি আহিছে স্থানীয় আৰক্ষী প্ৰশাসনে। এইক্ষেত্ৰত নিমাত তথাকথিত দল-সংগঠন তথা মুধাফুটা সমাজ-সংগঠক সকলো।

# ডিব্ৰুগড়ত আছাৰ উদ্যোগত বীৰ শ্বহীদ বিৰছা মুণ্ডাৰ জন্ম জয়ন্তীৰ আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ৭ নৱেম্বৰঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা ( আছা ) ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত সমূহ আঞ্চলিক সমিত,স্থানীয় আদিবাসী সমাজ আৰু ৰাইজৰ সহযোগত আদিবাসী ঐতিহাসিক ও স্বাধীনতা সংগ্ৰামী নেতা ৰাষ্ট্ৰীয় শ্বহীদ বীৰ বিৰছা মুণ্ডাৰ ১৪৯ তম জন্ম জয়ন্তী অহা ১৫ আৰু ১৬ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে চাবুৱা চুকপথাৰ প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় শ্বহীদ বীৰ বিৰছা মুণ্ডাৰ জন্ম জয়ন্তী উপলক্ষে প্ৰথমদিনা কাৰ্যসূচী অনুসৰি আছা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি গৌতম চাংগাইয়ে আছা পতাকা উত্তোলন কৰিব আৰু উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন কৰিব সভাপতি আৱন ঝৰাই। সমান্তৰল ভাৱে ডিব্ৰুগড় জিলাৰ অন্তৰ্গত আঞ্চলিক সমূহৰ পতাকা সমূহ উত্তোলন কৰিব আঞ্চলিক সমিতিৰ সভাপতি সকলে। আছা ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক ৰাজেশ লাৰকীনে শ্বহীদ তৰ্পণ কৰিব আৰু ৰাষ্ট্ৰীয় শ্বহীদ বীৰ বিৰছা মুণ্ডাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলী অৰ্পণ কৰিব চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই আৰু ইয়াৰ পিছত চাবুৱা চুকপথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজীৱ গোঁহাইয়ে বৃক্ষ ৰোপন কৰাৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক -মানসিক বিকাশৰ বাবে বিভিন্ন প্ৰতিযোগিতাৰ লগতে বটাঁ বিতৰণী সভা অনুষ্ঠিত হব আৰু প্ৰথম দিনাৰ কাৰ্যসূচী সমাপ্ত হব। দ্বিতীয় দিনা পুৱা ৮ বজাত সামুহিক চাফাই অভিযানৰে আৰম্ভ হব আৰু বাৰেৰহনীয়া সংস্কৃতিক শোভাযাত্ৰাৰ লগতে অন্যান্য সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হব। বিয়লি ৫ বজাত আছা, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি গৌতম চাংগাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হব। উক্ত সভাতে ঐতিহাসিক,স্বাধীনতা সংগ্ৰামী নেতা তথা ৰাষ্ট্ৰীয় শ্বহীদ বীৰ বিৰছা মুণ্ডাৰ ১৪৯ তম জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক ৰাজু মুণ্ডাৰ সম্পাদনাত উদ্‌যাপন সমিতিৰ উদ্যোগত প্ৰকাশিত স্মৃতিগ্ৰন্থ উন্মোচন কৰা হব। আছাৰ জিলা সম্পাদক ৰাজেশ লাৰকীনে আদৰণী ভাষণ আগবঢ়াব। মুকলি সভাত নিদিষ্ট বক্তা আৰু মুখ্য অতিথি ৰূপে উপস্থিত থাকিব-সদৌ অসম আদিবাসী ছাত্ৰ সন্থা,কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগ আৰু অসম চৰকাৰৰ আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দুৰ্গা হাচদাই। বিশিষ্ট অতিথি ৰূপে সভাত অংশ গ্ৰহণ কৰিব ক্ৰমে- সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নুৰাছ বাৰলাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ নেতাই।

## ৰণদীপ ফুকন নামৰ চিকিৎসকজনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ

# প্ৰসূতিৰ মৃত্যুক কেন্দ্ৰ কৰি কেন্দ্ৰত উত্তপ্ত পৰিস্থিতি আমগুৰিত

**ই-সংবাদ, আমগুৰি, ৭ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ আমগুৰি সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰসূতিৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৰণদীপ ফুকন নামৰ চিকিৎসকজনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছে। সুৰাসক্ত অৱস্থাত ভুল চিকিৎসা কৰাত প্ৰসূতিয়ে মৃত্যুক আকোৱালি লোৱাৰ অভিযোগৰ পাছতে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, নাগালেণ্ডৰ তুলীৰ প্ৰসূতিক আমগুৰি সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি হৈছিল। স্বাস্থ্য কেন্দ্ৰত চিকিৎসকে বেজী প্ৰদানৰ পাছতেই প্ৰসূতিৰ স্বাস্থ্যৰ অৱনতি হয়। তেনে অৱস্থাতে স্বাস্থ্য কেন্দ্ৰতে প্ৰসূতিৰ মৃত্যু হয়। এগৰাকী চিকিৎসকে সুৰাসক্ত অৱস্থাত ভুল চিকিৎসা কৰাত প্ৰসূতিৰ মৃত্যু হোৱাৰ অভিযোগ আনে ভুক্তভোগী পৰিয়ালে। প্ৰসূতিৰ পৰিয়ালে চিকিৎসকগৰাকীক জবাবদিহি কৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। চিকিৎসক ৰণদীপ ফুকনৰ বিৰুদ্ধে ভুক্তভোগী পৰিয়ালে মদ্যপাণ কৰি প্ৰসূতিক ভুল চিকিৎসা কৰাৰ অভিযোগ আনি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ভুক্তভোগী পৰিয়ালটোৱে মৃতদেহ চমজি ল'বলৈ অস্বীকাৰ কৰে। মদ্যপান কৰি ভুল চিকিৎসা কৰা বুলি চিকিৎসক ৰণদীপ ফুকনৰ লগত হতাহতিত লিপ্ত হয় ভোক্তভোগী পৰিয়াল। খবৰ পোৱা মাত্ৰকে আমগুৰি আৰক্ষী চিকিৎসালয়ত উপস্থিত হয়। শেহতীয়া খবৰ অনুসৰি ৰোগী গৰাকী এনিমীয়া ৰোগত আক্ৰান্ত আছিল। ইফালে, চিকিৎসালয় কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, ৰোগীৰ হিম'গ্ল'বিনৰ মাত্ৰা অতি কম আছিল।

## ৯ আৰু ১০ নৱেম্বৰত দুদিনীয়াকৈ আয়োজনৰ ব্যাপক প্ৰস্তুতি

# জামাদাৰী প্ৰাঃ বিঃৰ মহাৰজত জয়ন্তী উৎসৱ

**ই-সংবাদ, লাহৰীঘাট, ৭ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত জামাদাৰী প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱটি অহা ৯ আৰু ১০ নৱেম্বৰত দুদিনীয়াকৈ আয়োজনৰ ব্যাপক প্ৰস্তুতি চলিছে।উল্লেখ্য যে অতি ভিতৰুৱা অঞ্চলটোত ১৯৪৭ চনত স্থাপিত বিদ্যালয়খনে এইবেলি ৭৭ বৰ্ষত উপনীত হৈছে।সেই অনুসৰি বৃহত্তৰ জামাদাৰী গাঁওবাসীয়ে মহাৰজত জয়ন্তী উৎসৱটি পালন কৰিবলৈ চলোৱা প্ৰস্তুতিয়ে এতিয়া গাঁওবাসীৰ মাজত এক উথপথপ পৰিবেশে বিৰাজ কৰিছে।এই মহান অনুষ্ঠানটিৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা (৯ নৱেম্বৰ ) ৰ পুৱা বন্তি প্ৰজ্বলন, বৃক্ষৰোপন কাৰ্যসূচীৰ পিছতে প্ৰয়াত অৱসৰপ্ৰাপ্ত শিক্ষক লোকনাথ হাজৰিকা সোঁৱৰণী আদৰণি তোৰণৰ দ্বাৰ উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক ৰংধৰ বনিয়াই। ইয়াৰ পিছতে বিদ্যালয় খনৰ প্ৰৱেশ পথত স্থাপন কৰা স্বৰ্গীয় নৃপেন দেউৰী সোঁৱৰণী স্থায়ী তোৰণখন উন্মোচন কৰিব তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। এই কাৰ্যসূচীৰ পিছতে পতাকা উত্তোলন কাৰ্যসূচীত প্ৰথমে বিদ্যালয় পতাকা উত্তোলন কৰিব বিদ্যালয় খনৰ প্ৰধান শিক্ষক বনজিৎ ডেকাই, মহাৰজত জয়ন্তীৰ পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি বিপিন চন্দ্ৰ বৰদলৈয়ে আৰু ইয়াৰ সমান্তৰালকৈ মহাৰজত জয়ন্তীৰ উপলক্ষে ৭৭ খন পতাকা স্থানীয় ৭৭ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা উত্তোলন কৰিব।শ্বহীদ বেদী উন্মোচন আৰু শ্বহীদ তৰ্পণ কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই।১০ বজাত বিদ্যালয় গৃহ উদ্বোধন কৰিব তিৱা স্বায়ত্ব পৰিষদৰ জামাদাৰী সমষ্টিৰ সদস্য দুলাল ব্ৰহ্মই।ইয়াৰ পিছতে প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰাৰ লগতে ১০-৩০ বজাত বিদ্যালয় খনৰ প্ৰতিস্থাপক শিক্ষক প্ৰয়াত ৰমাকান্ত গোস্বামী সোঁৱৰণী মুকলি মঞ্চ উদ্বোধন কৰিব বিদ্যালয় খনৰ জ্যেষ্ঠ শিক্ষক গন্ধৰ্ব্ব কোঁৱৰে।একেদৰে ভোজনালয় উদ্বোধন,অতীতে ৰিভিয়াই শীৰ্ষক গুৰু সেৱা অনুষ্ঠান আৰু দুপৰীয়া অনুষ্ঠিত হ'ব ' জিলিকাব লুইতৰে পাৰ ' শীৰ্ষক শৈক্ষিক আলোচনা চক্ৰ।এই আলোচনা চক্ৰত মুখ্য আলোচক ৰূপে উপস্থিত থাকিব বিশিষ্ট যুৱ বক্তা ,সাংবাদিক এঞ্জেলা চাংমাই,মৰিগাঁও জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, লাহৰীঘাট শিক্ষা খণ্ডৰ শিক্ষা বিষয়া বাহাৰুল ইছলাম আৰু ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিষ্ণু প্ৰসাদ উপাধ্যায়।লগতে কেইবা গৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।ইয়াৰ পিছতে আবেলি প্ৰাক্তন সতীৰ্থৰ ভাৱ বিনিময়,ছাত্ৰ ছাত্ৰীৰ প্ৰতিভা প্ৰদৰ্শন, ৪-৩০ বজাত বিদ্যালয় প্ৰংগণত ৭৮ গছি বন্তি প্ৰজ্বলন আৰু সন্ধিয়া সাংস্কৃতিক মঞ্চ উন্মোচন আৰু দাতা পৰিয়াললৈ কৃতজ্ঞতা জ্ঞাপন অনুষ্ঠান এটি অনুষ্ঠিত হ'ব।অনুষ্ঠানটো উদ্বোধন কৰিব তিৱা স্বায়ত্ব পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তাই।আনহাতে আমন্ত্ৰিত কেইবা গৰাকীও বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰিব। সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকিব বেহাবাৰী আউট পোষ্টৰ ৰাকেশ আৰু লুটুকণ। একেদৰে দ্বিতীয় তথা (১০ নৱেম্বৰ) অন্তিম দিনাৰ পুৱা ৯-৩০ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অসমীয়া বোলছবি জগতৰ জ্যেষ্ঠা অভিনেত্ৰী মিনু বনিয়া আৰু গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই। দুপৰীয়া ১২ বজাত প্ৰাক্তন ছাত্ৰ কৃষ্ণ ৰাম বৰদলৈ (ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া) ৰ সৌজন্যত অনুষ্ঠিত হ'ব এখন চিত্ৰ শিল্প কৰ্মশালা। ইয়াৰ পিছতে দুপৰীয়া উদযাপন সমিতিৰ সভাপতি বিপিন চন্দ্ৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত হ'ব এখন মুকলি সভা। সভাখনত মহাৰজত জয়ন্তী উৎসৱৰ উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ খন উন্মোচন কৰিব বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে। সভাখনত মুখ্য বক্তাৰূপে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰাতুল ডেকা, তিৱা সাহিত্য সভাৰ মুখ্য সম্পাদক ড° বিদ্যুৎ বিকাশ সেনাপতি,মুখ্য অতিথিৰূপে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, অসম চৰকাৰৰ শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰ, লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ আৰু ডিমা হাচাওৰ সহকাৰী আয়ুক্ত সুকৰাম চৌহান সহ ভালে কেইগৰাকী বিশিষ্ট অতিথি উপস্থিত থাকিব।

## মিছন বসুন্ধৰা ৩.০ চৰ্তহীন ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ দাবীত জোৰ সমদল বাহিৰ

# কমতাপুৰ ৰাজ্য পুনঃ গঠনৰ দাবীত তামুলপুৰত কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰতিবাদ

**ই-সংবাদ, গুৱাহাটী, ৭ নৱেম্বৰঃ** আজি দক্ষিণ কামৰূপৰ সোণতলী স্বৰ্ণ শাখা সাহিত্য সভাৰ উদ্যোগত সোণতলী আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি বৰ্ণিল কবি সন্মিলন আড়ম্বৰপূৰ্ণ পৰিৱেশৰ মাজত অনুষ্ঠিত হৈ যায়। ৰাঙাপানী ইছমাইল হুছেইন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নুৰুল ইছলামে কোৰান পাঠেৰে আৰম্ভ কৰা সভাত সভাপতিত্ব কৰে শাখা সাহিত্য সভাৰ সভাপতি ছামছুল আলম ভুঞাই। চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক সমবেত সংগীতেৰে শুভাৰম্ভ কৰা কবি সন্মিলনখনি সঞ্চালনা কৰে বিশিষ্ট কবি মিৰ্জা হুমায়ুন কবিৰে। শাখা সভাৰ সম্পাদক ছেকান্দাৰ আলী আহমেদ আৰু সাহিত্য সম্পাদক আনোৱাৰ হুছেইনে আঁত ধৰা, উদ্দেশ্য ব্যাখ্যা কৰা, আদৰণি ভাষণ দিয়া সন্মিলনখনি উদ্বোধন কৰে সোণতলী আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মোবাৰক আহমেদে। ইয়াৰ পিছত সন্মানীয় অতিথি হিচাপে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক, কবি দীপক শৰ্মাই অংশ লৈ কয় যে কবিতাই দুখন সমাজৰ মাজত দেখা বাধাৰ প্ৰাচীৰ আঁতৰাব পাৰে। কবিতাই নিৰ্মাণ কৰিব পাৰে সুশৃংখলিত সমাজ। কবিতাই গঢ়িব পাৰে এখন মুকুতামালা সদৃশ সমাজ। কবি-সাহিত্যিক শ্ৰীশৰ্মাই আৰু কয় যে সোণতলীক এতিয়া চৰ বুলি ক'ব নালাগে। গাঁৱো নহয়; এতিয়া এখন বিতোপন মফচলীয় চহৰ। সোণতলীয়ে কবি, সাহিত্যিক, শিল্পী, চিকিৎসক, অভিযন্তা, অধিবক্তা, শিক্ষাবিদ, সমাজ হিতৈষী ব্যক্তি আদি বহু জনম দিলে। সভাত ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই বিশিষ্ট অতিথি হিচাপে অংশ লৈ কয় যে কবিতা হৃদয়ৰ পৰা সৃষ্টি হয়। কবিতাৰে সমাজ সংস্কাৰ কৰিব পাৰি। সভাত ডায়েট, দুধনৈ(গোৱালপাৰা)ৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবক্তা তথা বিশিষ্টা কবি ড০ সুষমা মজুমদাৰ, বিশিষ্টা কবি-লেখিকা বুলু কুমাৰী বড়া, গৰৈমাৰী ছাইন্স একাডেমীৰ অধ্যক্ষ তথা সৰবৰহীব্যক্তি দোস্ত হবিবুৰ ৰহমান, গৰৈমাৰী এফ এ আহমেদ মহাবিদ্যালয়ৰ অধ্যাপক মহিবুল হক চৌধুৰী, জলজলী শাখা সাহিত্য সভাৰ সভাপতি আলাউদ্দিন আল আমিনে আমন্ত্ৰিত অতিথি হিচাপে অংশ লৈ কবিতা আৰু সাহিত্য সৃষ্টিৰ ওপৰত আলোকপাত কৰে। পঠিত কবিতাৰ ওপৰত আলোকপাত কৰে সোণতলী আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যাপক ড০ এম চি বাবু আৰু কবি নুৰ নাহাৰ জিয়াই। সন্মিলনত ছামছুল আলম ভুঞা, বাহাৰুল ইছলাম, জেহেৰুল ইছলাম আহমেদ, আজমল হক চৌধুৰী, মকিবুৰ ৰহমান, মইনুল হক, অনুৰাধা দেৱী, প্ৰভাত চন্দ্ৰ দাস, চন্দন ভৰালী, ৰুকচানা পাৰবিন, মিষ্টাৰ লিমচেন, নুৰুল ইছলাম, ছেলিম আখটাৰ, আজগৰ আলী সৰকাৰ, কাঞ্চন চৌধুৰী, আব্দুল ৰহিম আহমেদ, আতমদ আলী, ড০ জামাল উদ্দিন আহমেদ, হাফিজুৰ ৰহমান, নয়ান আলী, মাইনুদ্দিন আহমেদ আদি তিনিকুৰিৰো অধিক কবিয়ে কবিতা পাঠ কৰে।

# বৃহত্তৰ কাকপথাৰ জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চ গঠন

ই-সংবাদ, ডুমডুমা, ৭ নৱেম্বৰ: তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ কাকপথাৰ অঞ্চলটোৰ বিভিন্ন সমস্যাসমূহৰ সন্দৰ্ভত ঐক্যবদ্ধভাৱে মাত মতাৰ উদ্দেশ্যে কাকপথাৰত গঠন কৰা হৈছে বৃহত্তৰ কাকপথাৰ জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চ। কাকপথাৰ-ডিৰাক অঞ্চলৰ প্ৰায় ১০টাকৈ দল-সংগঠনৰ নেতৃবৃন্দ একগোট হৈ সমস্যাৰে জৰ্জৰিত অঞ্চলটোৰ সমস্যাসমূহ সমাধানৰ বাবে মাত মাতি যোৱাৰ উদ্দেশ্যেৰে কালি কাকপথাৰ গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সভাত ভুগিল নেওগক মুখ্য উপদেষ্টা, সুৰজিত মৰাণক সভাপতি, বিজয় দত্তক কাৰ্যকৰী সভাপতি, মিণ্টু তালুকদাৰক মুখ্য সম্পাদক, হেমাংগ গগৈ, হীৰকজ্যোতি দহোটীয়া আৰু চবিন মৰাণক যুটীয়া সম্পাদক হিচাপে লৈ এখন শক্তিশালী ঐক্যমঞ্চৰ সমিতি গঠন কৰা হ'য়। প্ৰেছ ক্লাব, আছু, যুৱ-ছাত্ৰ পৰিষদ, মৰাণ ছাত্ৰ সন্থা, মটক যুৱ-ছাত্ৰ সন্মিলন, চুতীয়া ছাত্ৰ সন্থা, টাইপা, আটছা, কলিতা জনগোষ্ঠী যুৱ-ছাত্ৰ পৰিষদকে ধৰি কাকপথাৰ অঞ্চলটোৰ অন্যান্য দল-সংগঠনৰ বিষয়ববীয়াৰৰ উপস্থিতিত উক্ত সমিতিখন গঠন কৰা হ'য়। উল্লেখ্য যে, যোৱা ২২ চেপ্টেম্বৰত কাকপথাৰ প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত কৰা এখন ৰাজহুৱা সভাৰ সিদ্ধান্ত অনুসৰি এই উক্ত ঐক্যমঞ্চখন গঠন কৰা হৈছে বুলি নৱগঠিত বৃহত্তৰ কাকপথাৰ জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চৰ বিষয়ববীয়াই জানিবলৈ দিছে।

# ড০ ভূপেন হাজৰিকাক কামৰূপৰ বংশৰত সুধাকণ্ঠ স্মৃতি ৰক্ষা সমিতিৰ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, শুৱালকুছি, ৭ নৱেম্বৰঃ** কামৰূপ জিলাৰ বংশৰত সুধাকণ্ঠ স্মৃতি ৰক্ষা সমিতি বংশৰৰ উদ্যোগত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু তিথিত বংশৰ দুৰ্গা পূজা মণ্ডপ প্ৰাঙ্গনত দিনযোৱা কাৰ্যসূচীৰে সশ্ৰদ্ধ স্মৰণ কৰা হয় । অনুষ্ঠানত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ নাগৰিক সমাজ কৰ্মী বগাৰাম বৈশ্য, প্ৰফুল্ল চন্দ্ৰ বৈশ্য আৰু পদ্মৰাম পাঠকে । ইয়াৰ পিছতে ড০ ধ্ৰুৱজ্যোতি মালাকৰ, ড০ প্ৰণৱজ্যোতি শৰ্মাই সুধাকণ্ঠৰ জীৱনকৃতীৰ সম্পৰ্কে বক্তব্য প্ৰদান কৰে। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা অসম ভিত্তিত ভূপেন্দ্ৰ সঙ্গীত প্ৰতিযোগিতাত ৩৬ গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰে স্কিল ডেভলপমেন্টৰ প্ৰজেক্ট মেনেজাৰ অশোক কুমাৰ বৈশ্যই। বিচাৰকৰ আসন অলংকৃত কৰে বিশিষ্ট কণ্ঠশিল্পী কুইন দাস আৰু বিশিষ্ট সংগীত পৰিচালক উমেশ নাথে। প্ৰথম পুৰস্কাৰ প্ৰয়াত ওৱাজেদ আলীৰ সোঁৱৰণত ১০,০০১ টকা লাভ কৰে নলবাৰীৰ অৰ্চিত বিক্ৰম চৌধুৰীয়ে, দ্বিতীয় পুৰস্কাৰ প্ৰয়াত ভৈৰৱেন্দ্ৰ কাকতিৰ সোঁৱৰণত ৭০০১ টকা লাভ কৰে মুকালমুৱাৰ ভাবনা কলিতাই, তৃতীয় পুৰস্কাৰ প্ৰয়াত কামেশ্বৰ বৈশ্যৰ সোঁৱৰণত ৩০০১টকা লাভ কৰে পাটাছাৰকুছিৰ জিজ্ঞাসা কাশ্যপে আৰু বিচাৰকৰ বিশেষ বঁটা লাভ কৰে গুৱাহাটীৰ প্ৰিয়াঞ্চী কাশ্যপে। বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই আত ধৰা অনুষ্ঠানত প্ৰতিষ্ঠিত শিল্পী দ্বীপজ্যেতি কলিতা, কৰিস্মা দাসৰ লগতে ভাস্কৰজ্যেতি দাস, শিক্ষক সনাতন বৈশ্য, সু চিকিৎসক ডাঃ শ্যামন্ত কলিতাই গীত পৰিবেশন কৰাৰ ওপৰিও নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্যই পৰিচালনাত সৌৰভ বৈশ্য, গৌৰৱ বৈশ্যই এটি নৃত্য পৰিবেশন কৰে । সুধাকণ্ঠৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকীৰ অনুষ্ঠানটি ৰাইজৰ সহায় সহযোগিতাৰ বাবে ধন্যবাদ জনাইছে সভাপতি কনক দাস আৰু সচিব অম্বিকা বৈশ্যই ।

# মৰিগাঁৱত নাট্য অনুষ্ঠান ‘সমলয়’ৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, মৰিগাঁও, ৭ নৱেম্বৰঃ** ৰাজ্যৰ আগশাৰীৰ নাট্য অনুষ্ঠান মৰিগাঁৱৰ 'সমলয়' নাট্য অনুষ্ঠানৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱাৰ ভাগত 'সমলয়'ৰ পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে নাট্য অনুষ্ঠানটোৰ সভাপতি অজিত শৰ্মাই। পতাকা উত্তোলন কৰি সভাপতি শৰ্মাই সৃষ্টিশীল মনৰ প্ৰতিভা বিকাশৰ কেন্দ্ৰস্থল হ'ল সমলয় বুলি উল্লেখ কৰাৰ উপৰি তেওঁ কয় যে ৩৪ টাকৈ বছৰত বহু প্ৰতিভাৱান কলা-কুশলীয়ে 'সমলয়'ৰ জৰিয়তে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি অসমৰ সাংস্কৃতিক জগত খনত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। 'সমলয়' নাট্য অনুষ্ঠানৰ লগত নতুন প্ৰতিভা সদায় জড়িত হৈ 'সমলয়'ৰ পৰিয়ালটো বৃহত্তৰ কৰি তোলাৰ বাবে নাট্য অনুষ্ঠানটোৰ সকলোকে সভাপতি অজিত শৰ্মাই পতাকা উত্তোলনৰ ভাষণত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। পতাকা উত্তোলনৰ পিছতেই বন্তি প্ৰজ্বলন কৰে নাট্য অনুষ্ঠানটোৰ কাৰ্যকৰী সভাপতি সীমান্ত হাজৰিকাই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি দিনৰ ভাগত নবীন-প্ৰবীণ শিল্পীসকলৰ উপস্থিতিত এখন গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাপতি অজিত শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিকৰ সম্পাদক প্ৰতাপ হাজৰিকা আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই উপস্থিত থাকি 'সমলয়' নাট্য অনুষ্ঠাটোৰ নিজা অভিনেতা অভিনেত্ৰী, নাট্যকাৰ, পৰিচালকৰ সৃষ্টিশীল প্ৰতিভাৰ ওপৰত বিস্তৃত ভাৱে আলোকপাত কৰাৰ উপৰি সাংস্কৃতিক ক্ষেত্ৰখনত নতুন প্ৰতিভাক এখন মঞ্চ দিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰে। সমলয়ৰ সম্পাদক সুৰজ মিথিয়ে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ সভাত 'সমলয়' নাট্য অনুষ্ঠানৰ সকলো সদস্য তথা নবীন-প্ৰবীণ অভিনেতা-অভিনেত্ৰীৰ লগতে বহু কেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যক্তি বিশেষে উপস্থিত থাকে।

# টিহু নদীৰ ঘাটত আৰক্ষীৰ কটকটীয়া নিৰাপত্তা

**ই-সংবাদ, বৰমা, ৭ নৱেম্বৰঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নলবাৰী জিলাৰ টিহুতো আজিৰে পৰা ব্যাপক উৎসাহ-উদ্দীপনাৰে আৰম্ভ হৈছে ছট্ পূজা। ছট্ পূজা উপলক্ষে কোনোৰে লঘোণে থাকি, কোনোৰে সংকল্পলৈ, কোনোৰে মাটিত চুঁচৰি-চুঁচৰি আজি আবেলিৰ ভাগত টিহু নদীৰ ঘাটলৈ গৈ ব্ৰত ৰখা পৰিয়ালসমূহৰ ভক্তি প্ৰাণ লোকে অস্তগামী সূৰ্য দেৱতাৰ পূজা-অৰ্চনাত ব্যস্ত হোৱা পৰিলক্ষিত হয়। আকৌ কোনোৰে কোনোৰে এবুকু পানীত নামি কৰযোৰে অস্তগামী সূৰ্যক প্ৰণাম জনাই প্ৰাতঃকালৰ পূজা-অৰ্চনাৰ বাবে নৈৰ ঘাটৰ পৰা নিজ নিজ গৃহলৈ প্ৰত্যাৱৰ্তন কৰে। উল্লেখ্য যে কাতি মাহৰ এই বিশেষ দিনত শীতৰ আগমনৰ লগে লগে ভক্তপ্ৰাণ লোকে এবুকু পানীত নামি সূৰ্যদেৱতাক আৰাধনা কৰা দৃশ্য চোৱাৰ বাবেও টিহু নগৰ আৰু দাঁতিকাষৰীয়া বিভিন্ন ঠাইৰ পৰা যথেষ্টসংখ্যক ভক্তপ্ৰাণ ৰাইজ ঘাট পাৰত সমবেত হোৱাত উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হয়। ইপিনে কাইলৈ টিহু নদীৰ পাৰত পুৱতি নিশাৰ পৰা সূৰ্য উদয় হোৱা পৰ্যন্ত সূৰ্যদেৱতাক আৰাধনাৰে এই ছট্ পূজাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। ছট্ পূজা উপলক্ষে টিহু আৰক্ষীয়ে নিৰাপত্তাৰ ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ছট্ পূজা শান্তিপূৰ্ণ, শৃংখলাবদ্ধ আৰু নিয়াৰিকৈ উদযাপনৰ বাবে ছট্ পূজা উদযাপন সমিতি আৰু টিহু থানা গাঁওৰক্ষী বাহিনী ব্যস্ত হৈ পৰিছে। এছ ডি আৰ এফে উপযুক্ত উদ্ধাৰকাৰী দল সাজু কৰি ৰাখিছে।

# থমনা ৰাস মহোৎসৱত প্ৰতিযোগিতাৰ আয়োজন

ই-সংবাদ, মুছলপুৰ, ৭ নৱেম্বৰঃ অহা ১৫ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰলৈ ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্য-ক্ৰমণিকাৰে বাক্সা জিলাৰ থমনাত অনুষ্ঠিত হ'ব ৯২ সংখ্যক থমনা বাৰোৱাৰী ৰাস মহোৎসৱ। এই ৰাস মহোৎসৱৰ সৈতে সংগতি ৰাখি উদযাপন সমিতিয়ে আয়োজন কৰিছে এলানি প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাসমূহ ক্ৰমে ঘোষা নাম প্ৰতিযোগিতা, বিয়ানাম প্ৰতিযোগিতা, ৰাধা-কৃষ্ণ প্ৰতিযোগিতা, জ্যোতি সংগীত প্ৰতিযোগিতা, বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা, নৃত্য প্ৰতিযোগিতা আৰু কামৰূপী লোকগীত প্ৰতিযোগিতা। প্ৰতিযোগিতাসমূহৰ ভিতৰত ১৬ নৱেম্বৰত পুৱা ৯:৩০ বজাত ঘোষা নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে, বিয়ানাম প্ৰতিযোগিতা আৰু ৰাধা-কৃষ্ণ প্ৰতিযোগিতা ১৯ অক্টোবৰত ক্ৰমে পুৱা ৯:৩০ বজাত আৰু সন্ধিয়া ৭:০০ বজাত অনুষ্ঠিত হ'ব। ইফালে ১৭ অক্টোবৰৰ পুৱা ৯:৩০ বজাত অসম ভিত্তিত মুকলি কামৰূপী লোকগীত প্ৰতিযোগিতা, দিনৰ ১২ বজাত জ্যোতি সংগীত প্ৰতিযোগিতা, আবেলি ৩:০০ বজাত বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা আৰু সন্ধিয়া ৬:০০ বজাত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। একেদৰে ২২ নৱেম্বৰত সন্ধিয়া ৭:০০ বজাত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উল্লিখিত যিকোনো প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ৭৮৯৬৬৪১৪৭১ আৰু ৭০০২২৯১১৭১ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জানিবলৈ দিছে উদযাপন সমিতিয়ে।

# নামতিৰ খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত ককা-আইতা দিৱস উদযাপন

**ই-সংবাদ, আমগুৰি, ৭ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতিৰ অগ্ৰণী শিক্ষানুষ্ঠান খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত আজি ককা-আইতা দিৱস উদযাপন কৰে। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অনিমা বুঢ়াগোঁহাই গগৈয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটোত বিদ্যাপীঠৰ সঞ্চালিকা দেৱযানী শইকীয়া গগৈয়ে আদৰণী ভাষণ আগবঢ়ায়। শিক্ষয়িত্ৰী ডিম্পী চেতিয়াই আঁত ধৰা অনুষ্ঠানটিত কণকণ ছাত্ৰ-ছাত্ৰীসকলে শাৰী পাতি ককা-আইতাক ফুলাম গামোচাৰে মৰম যাঁচি সেৱা জনায়। ককা-আইতাসকলে নাতি-নাতিনীক আশিস প্ৰদান কৰি আৱেগিক হৈ পৰে। অনুষ্ঠানটোত কণকণ ছাত্ৰ-ছাত্ৰী আৰু ককা-আইতাসকলে নৃত্য-গীত পৰিৱেশন কৰি অনুষ্ঠানটি জীঁপাল কৰি তোলে। উল্লেখ্য যে, যিটো সময়ত সময়ত সন্তানক সু-মানৰ কৰি গঢ়ি তোলাটোৰেই অভিভাৱকৰ কাৰণে ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। কিয়নো একাংশ সন্তানে নিজ পিতৃ-মাতৃ সেৱা শুশ্ৰূষা কৰাৰ বিপৰীতে বৃদ্ধাশ্ৰমত ৰাখিছে। তেনে সময়ত এই দিৱসে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।

# ১০ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব বদৌচা কাপ




**ই-সংবাদ, কাকপথাৰ, ৭ নৱেম্বৰঃ** অসম আৰু অৰুণাচল প্ৰদেশৰ তিনিটা স্থানত অহা ১০ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব ১৬ সংখ্যক আন্তঃৰাষ্ট্ৰীয় বদৌচা কাপ ফুটবল প্ৰতিযোগিতা। বদৌচা স্পৰ্ট ক্লাৱৰ সভাপতি তথা মৰাণ স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰুণজ্যোতি মৰাণে জনোৱামতে উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব ডিগবৈৰ জুবলি খেলপথাৰত। ইয়াৰ পিছতে বাকী খেলসমূহ জুবলি খেলপথাৰৰ লগতে দুলীয়াজানৰ নেহৰু ময়দান আৰু অৰুণাচল প্ৰদেশৰ নামচাই জিলাৰ মহাদেৱপুৰ চৰকাৰী হাইস্কুলৰ খেলপথাৰতো কেইখনমান খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত অসমসহ কেবাখনো ৰাজ্যৰ ১২টাকৈ আগশাৰীৰ দলে অংশগ্ৰহণ কৰিব। ফাইনেল খেলখন ডিগবৈৰ জুবলি খেলপথাৰত অনুষ্ঠিত হ'ব অহা ১৮ নৱেম্বৰত। প্ৰতিখন মেচেই সন্ধিয়া ৫.৩০ বজাৰ পৰা আৰম্ভ হ'ব বুলি জনাইছে উদ্যোক্তাসকলে। চূড়ান্ত বিজয়ী দলে ট্ৰফীসহ ৩ লাখ টকা লাভ কৰাৰ লগতে বিজেতা দলে লাভ কৰি ট্ৰফী আৰু ২ লাখ টকা।

# উজবেকিস্তানত উজলিল ৰঙিয়াৰ মবিদুল ইছলাম




**ই-সংবাদ, ৰঙিয়া, ৭ নৱেম্বৰঃ** উজবেকিস্তানত অনুষ্ঠিত মাৰ্চেল আৰ্ট টুৰ্ণামেণ্টত অংশগ্ৰহণ কৰি ৬০ কেজি শাখাত ৰঙিয়াৰ মবিদুল ইছলামে সোণৰ পদক অৰ্জনেৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজ্যৰ নাম উজলাবলৈ সক্ষম হৈছে। মবিদুল ইছলামে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ২ নৱেম্বৰৰ পৰা ৬ দিনীয়াকৈ অনুষ্ঠিত হোৱা মাৰ্চেল আৰ্ট টুৰ্ণামেণ্টত বিশ্বৰ ৭০ খন দেশৰ ৪ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰাৰ বিপৰীতে ভাৰতীয় দলৰ হৈ ২৫ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল।



ইংলেণ্ডৰ বিৰুদ্ধে খেল চলি থকাৰ মাজতে নিজ দলৰে অধিনায়কৰ সৈতে কাজিয়াত লিপ্ত কেৰিবিয়ান বলাৰ যোছেফ

## মেচ চলি থাকোতেই খেলপথাৰ ত্যাগ ৱেষ্ট ইণ্ডিজৰ যোছেফৰ

# আন্তঃৰ্জাতিক ক্ৰিকেটত অভাৱনীয় কাণ্ড, হতভম্ব অনুৰাগী

**লণ্ডন, ৭ নৱেম্বৰঃ** আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত এইবাৰ দেখা গ'ল গলিৰ ক্ৰিকেটৰ দৃশ্য। অধিনায়কৰ ওপৰত ক্ষুব্ধ হৈ খেলৰ মাজভাগতে খেলপথাৰ এৰি গ'ল ৱেষ্ট ইণ্ডিজৰ ক্ৰিকেটাৰ আলঝাৰী যোছেফে। ফলত দলটোৱে বহু সময় ধৰি ১০ জন খেলুৱৈৰে ফিল্ডিং কৰিবলগীয়াত পৰে। ব্ৰীজটাউনত ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত তৃতীয়খন এদিনীয়াত সংঘটিত হয় এই অপ্ৰত্যাশিত ঘটনা। এই ঘটনাটোৱে ক্ৰিকেট মহলত আলোড়নৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, মেচখনৰ চতুৰ্থ অভাৰত যোচেফে খেলপথাৰৰ পৰা ওলাই আহে। তাৰ আগতে ফিল্ডিঙৰ ব্যৱস্থাক লৈ অধিনায়ক চাই হোপৰ সৈতে কাজিয়াত লিপ্ত হয় যোছেফে। তাৰপিছতে তেওঁ খেলপথাৰ এৰি পোনে পোনে ডাগআউটলৈ যায় আৰু সতীৰ্থ হেডেন ৱালছৰ সৈতে কথা পাতে। উল্লেখ্য যে, খেলখনত সুন্দৰ বলিং কৰিছিল আলঝাৰি যোছেফে। মেডেন অভাৰতো তেওঁ এটা উইকেটো লাভ কৰে। কিন্তু ফিল্ডিঙক লৈ অধিনায়ক হোপৰ সৈতে মতানৈক্যই দেখা দিয়াত নিজৰ অভাৰ শেষ কৰি খেলপথাৰৰ পৰা ওলাই যায়। অৱশ্যে সতীৰ্থসকলৰ বুজনি আৰু প্ৰশিক্ষকৰ উপদেশ মানি তেওঁ কিছুসময় পিছতে পুনৰ খেলপথাৰলৈ ঘুৰি আহে আৰু খেলত ভাগ লয়। ঘটনা সন্দৰ্ভত ইংলেণ্ডৰ প্ৰাক্তন বেটাৰ মাৰ্ক বাউচাৰে কয়, 'বহু সময়ত অধিনায়কৰ সৈতে মতানৈক্য হোৱাতো স্বাভাৱিক। কিন্তু সেয়া বন্ধ কোঠাত বা মেচৰ পিছত হ'ব লাগে। অধিনায়কে কি কৈছে সেয়া শুনা দৰকাৰ।' নাভূত-নাশ্ৰুত ঘটনা সংঘটিত হোৱা মেচখনত ৱেষ্ট ইণ্ডিজ দলটোৱেই জয়ী হয়। ইংলেণ্ডে নিৰ্ধাৰণ কৰি দিয়া ২৬৩ ৰানৰ লক্ষ্য অনুসৰণ কৰি কেৰিবিয়ান দলটোৱে সেয়া মাত্ৰ ২ উইকেট হেৰুৱাই ৪৩ অভাৰতে অতিক্ৰম কৰে।

# সিন্ধুৰ বেডমিণ্টন একাডেমীৰ ভূমি পূজন

**হায়দৰাবাদ, ৭ নৱেম্বৰঃ** নিজাকৈ বেডমিণ্টন একাডেমী স্থাপনৰ কাম আৰম্ভ কৰিছে ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধুৱে। এই অনুযায়ী তেওঁ অন্ধ্ৰপ্ৰদেশৰ ততগুৰুত স্থাপন হ'বলগীয়া বেডমিণ্টন একাডেমীৰ ভূমি পূজা সম্পন্ন কৰে। এই একাডেমীৰ জৰিয়তে যুৱ খেলুৱৈসকলক প্ৰশিক্ষণ দিয়াৰ লগতে আগশাৰীৰ প্ৰতিযোগিতাৰ বাবে সাজু হ'ব পৰাকৈ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি সদৰী কৰে। অনুষ্ঠানত সিন্ধুৰ লগতে তেওঁৰ মাতৃ-পিতৃও উপস্থিত থাকে। এই একাডেমী ২০২১ চনত অন্ধ্ৰ প্ৰদেশ চৰকাৰে প্ৰদান কৰা দুই একৰ মাটিত নিৰ্মাণ কৰা হৈছে। অলিম্পিকত পদক জয়ী সিন্ধুৱে কয় যে নিৰ্মাণ কাৰ্য শীঘ্ৰে আৰম্ভ হ'ব আৰু এবছৰৰ ভিতৰতে সেয়া সম্পূৰ্ণ হৈ পৰিব। একাডেমীত প্ৰশিক্ষণ পাবলগীয়া খেলুৱৈৰ সংখ্যা আৰু আন প্ৰশিক্ষণ সম্পৰ্কীয় কাৰ্যসূচীৰ বিষয়ে শীঘ্ৰে ঘোষণা কৰিব বুলি সদৰী কৰে ২৯ বছৰীয়া তাৰকাগৰাকীয়ে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি